# الدعاء من الكتاب والسنة )للوزارة(

# কোৰআন আৰু হাদীছ্ৰ পৰা সংগৃহীত কিছুমান দুআ

# কোৰআন আৰু হাদীছৰ পৰা সংগৃহীত কিছুমান দুআ

ছাঈদ ইবনে আলী ইবনে অহাফ আল-ক্বাহতানী

ছৌদি আৰব

দাৱাহ, ইৰশ্বাদ আৰু ইছলাম বিষয়ক মন্ত্ৰণালয়


# কোৰআন আৰু হাদীছৰ পৰা সংগৃহীত কিছুমান দুআ


প্ৰস্তুত কৰিছে,

ড° ছাঈদ ইবনে আলী ইবনে অহাফ আল-ক্বাহতানী ৰাহিমাহুল্লাহ

সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে; লগতে দৰূদ আৰু ছালাম বৰ্ষিত হওক আল্লাহৰ ৰাছুলৰ ওপৰত আৰু তেওঁৰ পৰিয়ালবৰ্গ, চাহাবাসকল আৰু তেওঁলোকক ভালপোৱা সকলো লোকৰ ওপৰত। ইয়াৰ পাছত:

এইবোৰ হৈছে কিছুমান গুৰুত্বপূৰ্ণ আৰু উপকাৰী দুআ, যিবোৰ মই মোৰ কিতাপ "আদ-দুআ মিনাল কিতাবি অচ্ছুন্নাহ"ৰ পৰা সংক্ষিপ্ত আকাৰত প্ৰস্তুত কৰিছোঁ। মহান আল্লাহৰ ওচৰত দুআ কৰোঁ, তেওঁ যেন ইয়াৰ দ্বাৰা সকলোকে উপকৃত কৰে। লগতে যিজনে ইয়াৰ তাখৰীজ সম্পৰ্কে জানিব বিচাৰে, তেওঁ যেন মূল গ্ৰন্থখন চাই লয়। আল্লাহেই হৈছে তাওফীকদাতা।

সকলো ধৰণৰ প্ৰশংসা কেৱল আল্লাহৰ বাবে, তেৱেঁই সকলো প্ৰশংসাৰ মালিক। দৰূদ আৰু ছালাম বৰ্ষিত

হওক সৰ্বশেষ নবীৰ ওপৰত, যাৰ পিছত আন কোনো নবী নাহিব।

১-

((بِسْمِ اللَّهِ الرَّحْمَنِ الرَّحِيمِ 1 الْحَمْدُ لِلَّهِ رَبِّ الْعَالَمِينَ2 الرَّحْمَنِ الرَّحِيمِ 3 مَالِكِ
يَوْمِ الدِّينِ4 إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِينُ5 اهْدِنَا الصِّرَاط الْمُسْتَقِيمَ6 صِرَاطَ الَّذِينَ
أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلَا الضَّالِّينَ7))

উচ্চাৰণঃ বিছমিল্লাহিৰ ৰহমা-নিৰ ৰাহীম।

অৰ্থঃ (আৰম্ভ কৰিছোঁ) পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত।

উচ্চাৰণঃ আলহাম্‌দুলিল্লাহি ৰাব্বিল আ-লামীন।

অৰ্থঃ সকলো ধৰণৰ হামদ (প্ৰশংসা) বিশ্বজগতৰ ৰব্ব আল্লাহৰ বাবে।

উচ্চাৰণঃ আৰ ৰহমা-নিৰ ৰাহীম।

অৰ্থঃ যিজন পৰম কৰুণাময়, পৰম দয়ালু।

উচ্চাৰণঃ মা-লিকি য়াউমিদ্দীন।

অৰ্থঃ বিচাৰ দিৱসৰ মালিক।

উচ্চাৰণঃ ইয়্যাকা না'বুদু ৱা ইয়্যাকা নাছতায়ীন।

অৰ্থঃ আমি কেৱল তোমাৰেই ইবাদত কৰোঁ, আৰু তোমাৰ ওচৰতেই সহায় প্ৰাৰ্থনা কৰোঁ।

উচ্চাৰণঃ ইহদিনাচ চিৰা-তাল মুস্তাকীম।

অৰ্থঃ আমাক সৰল পথৰ হিদায়ত দিয়া।

উচ্চাৰণঃ চিৰা-তাল লাজীনা আনআমতা আলাইহিম, গাইৰিল মাগদ্‌বুবি আলাইহিম অলাদ্দ-ল্লীন।

অৰ্থঃ তেওঁলোকৰ পথ, যিসকলক তুমি নিয়ামত (অনুগ্ৰহ) প্ৰদান কৰিছা, সিহঁতৰ নহয়, যিসকলৰ ওপৰত তোমাৰ ক্ৰোধ আপতিত হৈছে আৰু সিহঁতৰো নহয় যিসকল পথভ্ৰষ্ট হৈছে।

২-

((رَبَّنَا تَقَبَّلْ مِنَّا إِنَّكَ أَنتَ السَّمِيعُ الْعَلِيمُ127))

উচ্চাৰণঃ ৰাব্বানা তাক্বাব্বাল মিন্না ইন্নাকা আনতাচ ছামিউল আলীম।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাৰ ফালৰ পৰা তুমি কবুল কৰা। নিশ্চয় তুমি সৰ্বশ্ৰোতা, সৰ্বজ্ঞ। (ছুৰা আল-বাক্বাৰাহঃ ১২৭)

৩-

((وَتُبْ عَلَيْنَآ إِنَّكَ أَنتَ التَّوَّابُ الرَّحِيمُ128))

উচ্চাৰণঃ অতুব আলাইনা ইন্নাকা আনতাত তাওৱা-বুৰ ৰাহীম।

অৰ্থঃ আৰু আমাৰ তাওবা কবুল কৰা। নিশ্চয় তুমি অধিক তাওবা গ্ৰহণকাৰী, পৰম দয়ালু'। (ছুৰা আল-বাক্বাৰাহঃ ১২৮)

৪-

((رَبَّنَا آتِنَا فِي الدُّنْيَا حَسَنَةً وَفِي الآخِرَةِ حَسَنَةً وَقِنَا عَذَابَ النَّارِ201))

উচ্চাৰণঃ ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাতাওঁ অফিল আ-খিৰাতি হাছানাতাওঁ অক্বিনা আজাবান না-ৰ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দিয়া আৰু আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা। (ছুৰা আল-বাক্বাৰাহঃ ২০১)

৫-

((سَمِعْنَا وَأَطَعْنَا غُفْرَانَكَ رَبَّنَا وَإِلَيْكَ الْمَصِيرُ285))

উচ্চাৰণঃ ছামি'না ৱা আতা'না গুফৰা-নাকা ৰাব্বানা ৱা ইলাইকাল মাচীৰ।

অৰ্থঃ আমি শুনিছোঁ আৰু মানি লৈছোঁ। হে আমাৰ প্ৰতিপালক! তোমাৰ ক্ষমা প্ৰাৰ্থনা কৰোঁ আৰু তোমাৰ পিনেই (আমি) উভতি যাব লাগিব। (ছুৰা আল-বাক্বাৰাহঃ ২৮৫)

৬-

((رَبَّنَا لاَ تُؤَاخِذْنَا إِن نَّسِينَا أَوْ أَخْطَأْنَا رَبَّنَا وَلاَ تَحْمِلْ عَلَيْنَا إِصْرًا كَمَا حَمَلْتَهُ عَلَى الَّذِينَ مِن قَبْلِنَا رَبَّنَا وَلاَ تُحَمِّلْنَا مَا لاَ طَاقَةَ لَنَا بِهِ وَاعْفُ عَنَّا وَاغْفِرْ لَنَا وَارْحَمْنَآ أَنتَ مَوْلاَنَا فَانصُرْنَا عَلَى الْقَوْمِ الْكَافِرِينَ286))

উচ্চাৰণঃ ৰাব্বানা লা তু'আ-খিজনা ইন নাছীনা আও আখ্ত্বা'না। ৰাব্বানা অলা তাহমিল আলাইনা ইছৰান কামা হামালতাহু আলাল্লাজীনা মিন ক্বাবলিনা। ৰাব্বানা

অলা তুহাম্মিলনা মা লা ত্বা-ক্বাতা লানা বিহি। অ'ফু আন্না, অগফিৰ লানা, অৰহামনা। আন্তা মাওলা-না ফাংছুৰনা আলাল ক্বাওমিল কাফিৰীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! যদি আমি বিস্মৃত হওঁ অথবা ভুল কৰোঁ তেন্তে তুমি আমাক অপৰাধ নধৰিবা। হে আমাৰ প্ৰতিপালক! আমাৰ পূৰ্বৱৰ্তীসকলৰ ওপৰত যেনেকৈ তুমি বোজা অৰ্পণ কৰিছিলা আমাৰ ওপৰত তেনেকুৱা বোজা অৰ্পণ নকৰিবা। হে আমাৰ প্ৰতিপালক! তুমি আমাক এনেকুৱা বোজা বহন নকৰাবা যিটো বহন কৰাৰ সামৰ্থ আমাৰ নাই; আৰু তুমি আমাৰ পাপসমূহ মোচন কৰি দিয়া, আমাক ক্ষমা কৰি দিয়া, আমাৰ প্ৰতি দয়া কৰা, তুমিয়েই আমাৰ অভিভাৱক। গতিকে কাফিৰ সম্প্ৰদায়ৰ বিৰুদ্ধে আমাক সহায় কৰা। (ছুৰা আল-বাক্বাৰাহঃ ২৮৬)

৭-

((رَبَّنَا لاَ تُزِغْ قُلُوبَنَا بَعْدَ إِذْ هَدَيْتَنَا وَهَبْ لَنَا مِن لَّدُنكَ رَحْمَةً إِنَّكَ أَنتَ الْوَهَّابُ8))

উচ্চাৰণঃ ৰাব্বানা লা তুঝিগ ক্বুলূবানা বা'দা ইয হাদাইতানা অহাব লানা মিল লাদুনকা ৰাহমাহ। ইন্নাকা আন্তাল অহ্হাব।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! সৰল পথ প্ৰদান কৰাৰ পিছত তুমি আমাৰ অন্তৰসমূহক বক্ৰ কৰি নিদিবা

আৰু তোমাৰ তৰফৰ পৰা আমাক ৰহমত দান কৰা, নিশ্চয় তুমি মহাদাতা। (ছুৰা আলে ইমৰাণ: ৮)

৮-

((رَبَّنَا إِنَّنَا آمَنَّا فَاغْفِرْ لَنَا ذُنُوبَنَا وَقِنَا عَذَابَ النَّارِ16))

উচ্চাৰণঃ ৰাব্বানা ইন্নানা আ-মান্না ফাগফিৰ লানা জুনূবানা অক্বিনা আযাবান্না-ৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! নিশ্চয় আমি ঈমান আনিছোঁ; গতিকে তুমি আমাৰ গুণাহসমূহ ক্ষমা কৰি দিয়া আৰু আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা’। (ছুৰা আলে ইমৰাণ: ১৬)

৯-

((رَبِّ هَبْ لِي مِن لَّدُنْكَ ذُرِّيَّةً طَيِّبَةً إِنَّكَ سَمِيعُ الدُّعَاءِ38))

উচ্চাৰণঃ ৰাব্বি হাব্ লী মিল্লাদুংকা জুৰ্ৰিয়্যাতান ত্বাইয়্যিবাতান ইন্নাকা ছামীউদ্ দু‘আ।

অৰ্থঃ হে মোৰ প্ৰতিপালক! তুমি মোক তোমাৰ ফালৰ পৰা উত্তম বংশধৰ দান কৰা। নিশ্চয় তুমি প্ৰাৰ্থনা শ্ৰৱণকাৰী। (ছুৰা আলে ইমৰাণ: ৩৮)

১০-

((رَبَّنَا آمَنَّا بِمَا أَنزَلَتْ وَاتَّبَعْنَا الرَّسُولَ فَاكْتُبْنَا مَعَ الشَّاهِدِينَ53))

উচ্চাৰণঃ ৰাব্বানা আ-মান্না বিমা আংঝালতা অত্তাবা‘নাৰ ৰাছূলা ফাক্তুব্না মাআশ্ব শ্বা-হিদীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি যি অৱতীৰ্ণ কৰিছা তাৰ প্ৰতি আমি ঈমান আনিছোঁ আৰু আমি ৰাছুলৰ অনুসৰণ কৰিছোঁ। এতেকে আমাক সাক্ষ্যদানকাৰীসকলৰ তালিকাভুক্ত কৰি লোৱা। (ছুৰা আলে ইমৰাণ: ৫৩)

১১-

((رَبَّنَا اغْفِرْ لَنَا ذُنُوبَنَا وَإِسْرَافَنَا فِي أَمْرِنَا وَثَبِّتْ أَقْدَامَنَا وانصُرْنَا عَلَى الْقَوْمِ الْكَافِرِينَ147))

উচ্চাৰণঃ ৰাব্বানাগফিৰ্ লানা জুনূবানা ৱা ইছ্ৰা-ফানা ফী আম্ৰিনা অছাব্বিত্ আক্বদা-মানা অংছুৰ্না আলাল্ ক্বাওমিল কাফিৰীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাৰ পাপসমূহ আৰু কৰ্মজীৱনৰ সীমালংঘনসমূহ তুমি ক্ষমা কৰি দিয়া আৰু আমাৰ ভৰিক অবিচল ৰখা, লগতে কাফিৰ সম্প্ৰদায়ৰ বিৰুদ্ধে আমাক সহায় কৰা। (ছুৰা আলে-ইমৰাণঃ ১৪৭)

১২-

((رَبَّنَا مَا خَلَقْتَ هَذا بَاطِلاً سُبْحَانَكَ فَقِنَا عَذَابَ النَّارِ191* رَبَّنَا إِنَّكَ مَن تُدْخِلِ النَّارَ فَقَدْ أَخْزَيْتَهُ وَمَا لِلظَّالِمِينَ مِنْ أَنصَارٍ192* رَّبَّنَا إِنَّنَا سَمِعْنَا مُنَادِيًا يُنَادِي لِلإِيمَانِ أَنْ آمِنُواْ بِرَبِّكُمْ فَآمَنَّا رَبَّنَا فَاغْفِرْ لَنَا ذُنُوبَنَا وَكَفِّرْ عَنَّا سَيِّئَاتِنَا وَتَوَفَّنَا مَعَ الأبْرَارِ193* رَبَّنَا وَآتِنَا مَا وَعَدتَّنَا عَلَى رُسُلِكَ وَلاَ تُخْزِنَا يَوْمَ الْقِيَامَةِ إِنَّكَ لاَ تُخْلِفُ الْمِيعَادَ194))

উচ্চাৰণঃ ৰাব্বানা মা খালাক্বতা হা-জা বা-ত্বিলা, ছুবহা-নাকা ফাক্বিনা আযা-বান্ না-ৰ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি এইবোৰ অনৰ্থক সৃষ্টি কৰা নাই, তুমি অত্যন্ত পৱিত্ৰ, এতেকে তুমি আমাক জুইৰ শাস্তিৰ পৰা ৰক্ষা কৰা’।

উচ্চাৰণঃ ৰাব্বানা ইন্নাকা মান তুদখিলিন্ না-ৰা ফাক্বাদ আখ্ঝাইতাহু অমা লিজ্জা-লিমীনা মিন আনচা-ৰ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘তুমি যাক জুইত নিক্ষেপ কৰিবা, নিশ্চয় তুমি তাক অপমান কৰিবা; আৰু যালিমসকলৰ বাবে কোনো সহায়কাৰী নাই’।

উচ্চাৰণঃ ৰাব্বানা ইন্নানা ছামি‘না মুনাদিয়ান ইউনা-দী লিল্-ঈমানি আন আ-মিনূ বি ৰাব্বিকুম ফাআ-মান্না ৰাব্বানা ফাগফিৰ লানা জুনূবানা অকাফ্ফিৰ্ ‘আন্না ছাইয়্যিআ-তিনা অতাৱাফ্ফানা মাআল্ আব্ৰাৰ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘আমি এজন আহ্বায়কক ঈমানৰ পিনে আহ্বান কৰা শুনিছোঁ যে, ‘তোমালোকে তোমালোকৰ প্ৰতিপালকৰ প্ৰতি ঈমান পোষণ কৰা’। সেয়ে আমি ঈমান আনিছোঁ। হে আমাৰ প্ৰতিপালক! ‘তুমি আমাৰ পাপসমূহ ক্ষমা কৰি দিয়া, আৰু আমাৰ ত্ৰুটি-বিচ্যুতিসমূহ দূৰ কৰি দিয়া, লগতে আমাক সৎকৰ্মপৰায়ণ লোকসকলৰ সহগামী কৰি মৃত্যু প্ৰদান কৰা’।

উচ্চাৰণঃ ৰাব্বানা ৱা আ-তিনা মা ৱা‘আত্তানা ‘আলা ৰুছুলিকা অলা তুখ্‌ঝিনা য়াওমাল্‌ ক্বিয়ামাহ, ইন্নাকা লা তুখ্‌লিফুল্‌ মী‘আদ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘তোমাৰ ৰাছুলসকলৰ মাধ্যমত আমাক যিটো দিবলৈ প্ৰতিশ্ৰুতি দিছা সেয়া আমাক দান কৰা আৰু কিয়ামতৰ দিনা আমাক অপমান নকৰিবা। নিশ্চয় তুমি প্ৰতিশ্ৰুতিৰ ব্যতিক্ৰম নকৰা’। (ছুৰা আলে-ইমৰাণ: ১৯১-১৯৪)

১৩-

((رَبَّنَا آمَنَّا فَاكْتُبْنَا مَعَ الشَّاهِدِينَ83))

উচ্চাৰণঃ ৰাব্বানা আ-মান্না ফাক্‌তুব্‌না মাআশ্ব শ্বা-হিদীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমি ঈমান আনিছোঁ, এতেকে তুমি আমাক সাক্ষ্য দানকাৰীসকলৰ তালিকাভুক্ত কৰা। (ছুৰা আল-মায়িদাহ: ৮৩)

১৪-

((رَبَّنَا ظَلَمْنَا أَنفُسَنَا وَإِن لَّمْ تَغْفِرْ لَنَا وَتَرْحَمْنَا لَنَكُونَنَّ مِنَ الْخَاسِرِينَ23))

উচ্চাৰণঃ ৰাব্বানা জ্বলাম্‌না আংফুছানা ৱা ইল্লাম তাগফিৰ্‌ লানা অতাৰহাম্‌না লানাকূনান্না মিনাল্‌ খা-ছিৰীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমি নিজৰে প্ৰতি অন্যায় কৰিছোঁ, আৰু যদি তুমি আমাক ক্ষমা কৰি

নিদিয়া আৰু আমাৰ প্ৰতি দয়া নকৰা, তেন্তে নিশ্চয় আমি ক্ষতিগ্ৰস্তসকলৰ অন্তৰ্ভুক্ত হ'ম। (ছুৰা আল-আৰাফ: ২৩)

১৫-

((رَبَّنَا لاَ تَجْعَلْنَا مَعَ الْقَوْمِ الظَّالِمِينَ47))

উচ্চাৰণঃ ৰাব্বানা লা তাজ্‘আল্না মাআল্ ক্বাওমিজ্ জ্ব-লিমীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক কেতিয়াও যালিম সম্প্ৰদায়ৰ সঙ্গী নকৰিবা। (ছুৰা আল-আৰাফ: ৪৭)

১৬- "আল্লা-হুম্মা।"

অৰ্থঃ হে আল্লাহ!

((أَنْتَ وَلِيُّنَا فَاغْفِرْ لَنَا وَارْحَمْنَا وَأَنْتَ خَيْرُ الْغَافِرِينَ155* وَاكْتُبْ لَنَا فِي هَذِهِ الدُّنْيَا حَسَنَةً وَفِي الْآخِرَةِ))

উচ্চাৰণঃ আন্তা অলিয়্যুনা ফাগফিৰ্ লানা অৰহাম্না ৱা আন্তা খাইৰু'ল্ গাফিৰীন।

অৰ্থঃ তুমিয়েই আমাৰ অভিভাৱক; সেয়ে তুমি আমাক ক্ষমা কৰা আৰু আমাৰ প্ৰতি দয়া কৰা। ক্ষমাশীলসকলৰ ভিতৰত তুমিয়েই শ্ৰেষ্ঠ’।

উচ্চাৰণঃ অক্তুব্ লানা ফী হা-জিহিদ্ দুনিয়া হাছানাতান অফিল্ আ-খিৰাহ।

অৰ্থঃ লগতে তুমি আমাৰ বাবে এই পৃথিৱীত কল্যাণ লিখি দিয়া আৰু আখিৰাততো। (ছুৰা আল-আৰাফঃ ১৫৫-১৫৬)

১৭-

((حَسْبِيَ اللّهُ لا إِلَـهَ إِلاَّ هُوَ عَلَيْهِ تَوَكَّلْتُ وَهُوَ رَبُّ الْعَرْشِ الْعَظِيمِ129))

উচ্চাৰণঃ হাছবিয়াল্লা-হু লা ইলা-হা ইল্লা হুৱা ‘আলাইহি তাৱাক্কাল্তু অহুৱা ৰাব্বুল্ ‘আৰ্শ্বিল্ ‘আযীম।

অৰ্থঃ মোৰ বাবে আল্লাহেই যথেষ্ট, তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। মই তেওঁৰ ওপৰতেই নিৰ্ভৰ কৰিছোঁ আৰু তেৱেঁই হৈছে মহা আৰছৰ প্ৰতিপালক। (ছুৰা আত-তাওবাহঃ, আয়াত ১২৯)

১৮-

((رَبَّنَا لاَ تَجْعَلْنَا فِتْنَةً لِّلْقَوْمِ الظَّالِمِينَ85 * وَنَجِّنَا بِرَحْمَتِكَ مِنَ الْقَوْمِ الْكَافِرِينَ86))

উচ্চাৰণঃ ৰাব্বানা লা তাজ্‘আল্না ফিতনাতাল্ লিল্ ক্বাওমিজ্ জ্ব-লিমীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি আমাক যালিম সম্প্ৰদায়ৰ উৎপীড়নৰ পাত্ৰ নকৰিবা।

উচ্চাৰণঃ অনাজ্জিনা বিৰাহমাতিকা মিনাল্ ক্বাওমিল্ কা-ফিৰীন।

অৰ্থঃ ‘আৰু তুমি আমাক তোমাৰ অনুগ্ৰহৰ দ্বাৰা কাফিৰ সম্প্ৰদায়ৰ পৰা ৰক্ষা কৰা’। (ছুৰা ইউনুছঃ ৮৫-৮৬)

১৯-

((رَبِّ إِنِّي أَعُوذُ بِكَ أَنْ أَسْأَلَكَ مَا لَيْسَ لِي بِهِ عِلْمٌ وَإِلاَّ تَغْفِرْ لِي وَتَرْحَمْنِي أَكُن مِّنَ الْخَاسِرِينَ47))

উচ্চাৰণঃ ৰাব্বি ইন্নী আ‘ঊজু বিকা আন আছ্আলাকা মা লাইছা লী বিহি ‘ইল্মুন ৱা ইল্লা তাগফিৰ্ লী অতাৰহাম্নী আকুন্ মিনাল্ খাছিৰীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! যি বিষয়ে মোৰ কোনো জ্ঞান নাই সেই বিষয়ে মই যাতে তোমাক অনুৰোধ নকৰোঁ তাৰ বাবে মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ। তুমি যদি মোক ক্ষমা নকৰা আৰু মোক দয়া নকৰা, তেন্তে মই ক্ষতিগ্ৰস্তসকলৰ অন্তৰ্ভুক্ত হৈ যাম’। (ছুৰা হূদ: ৪৭)

২০- আল্লা-হুম্মা ইয়া

অৰ্থঃ হে আল্লাহ!

((فَاطِرَ السَّمَوَاتِ وَالْأَرْضِ أَنْتَ وَلِيِّي فِي الدُّنْيَا وَالْآخِرَةِ تَوَفَّنِي مُسْلِمًا وَأَلْحِقْنِي بِالصَّالِحِينَ 101))

উচ্চাৰণঃ ফা-তিৰাচ্ছামাৱা-তি অল্ আৰ্দ্বি আন্তা অলিয়্যী ফিদ্ দুনিয়া অল্ আ-খিৰাহ তাৱাফ্ফানী মুছলিমাওঁ ৱা আলহিক্নী বিচ্ছালিহীন।

অৰ্থঃ হে আকাশসমূহ আৰু পৃথিৱীৰ স্ৰষ্টা! তুমিয়েই পৃথিৱী আৰু আখিৰাতত মোৰ অভিভাৱক। তুমি মোক মুছলিম অৱস্থাত মৃত্যু প্ৰদান কৰা আৰু মোক সৎকৰ্মপৰায়ণসকলৰ অন্তৰ্ভুক্ত কৰা’। (ছুৰা ইউছুফ, আয়াত: ১০১)

২১-

((رَبِّ اجْعَلْ هَـذَا الْبَلَدَ آمِنًا وَاجْنُبْنِي وَبَنِيَّ أَن نَّعْبُدَ الأَصْنَامَ35))

উচ্চাৰণঃ ৰাব্বিজ্‘আল্ হা-জাল্ বালাদা আ-মিনাওঁ অজ্নুব্নী অবানিয়্যা আন্ না‘বুদাল্ আচনা-ম।

অৰ্থঃ হে মোৰ প্ৰতিপালক! এই চহৰখনক তুমি নিৰাপদ বনাই দিয়া আৰু মোক আৰু মোৰ পুত্ৰসকলক মূৰ্তিপূজাৰ পৰা ৰক্ষা কৰা। (ছুৰা ইব্ৰাহীমঃ ৩৫)

২২-

((رَبِّ اجْعَلْنِي مُقِيمَ الصَّلاَةِ وَمِن ذُرِّيَّتِي رَبَّنَا وَتَقَبَّلْ دُعَاءِ40))

উচ্চাৰণঃ ৰাব্বিজ্‘আল্নী মুক্বীমাচ্ছালাতি অমিন জুৰ্ৰিয়্যাতী ৰাব্বানা অতাক্বাব্বাল্ দু‘আ।

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! মোক ছালাত প্ৰতিষ্ঠাকাৰী বনাই দিয়া লগতে মোৰ বংশধৰসকলৰ পৰাও। হে মোৰ প্ৰতিপালক! আৰু মোৰ দুআ কবুল কৰা’। (ছুৰা ইব্ৰাহীম، আয়াত: ৪০)

২৩-

((رَبَّنَا اغْفِرْ لِي وَلِوَالِدَيَّ وَلِلْمُؤْمِنِينَ يَوْمَ يَقُومُ الْحِسَابُ41))

উচ্চাৰণঃ ৰাব্বানাগফিৰ্ লী অলিওৱা-লিদাইয়্যা অলিল্ মু'মিনীনা য়াওমা য়াকূমুল্ হিচাব।

অৰ্থঃ 'হে আমাৰ প্ৰতিপালক! যিদিনা হিচাপ-নিকাচ অনুষ্ঠিত হ'ব সেইদিনা মোক আৰু মোৰ পিতৃ-মাতৃক লগতে মুমিনসকলক ক্ষমা কৰি দিবা'। (ছুৰা ইব্ৰাহীমঃ ৪১)

২৪-

((رَبَّنَا آتِنَا مِن لَّدُنكَ رَحْمَةً وَهَيِّئْ لَنَا مِنْ أَمْرِنَا رَشَدًا10))

উচ্চাৰণঃ ৰাব্বানা আ-তিনা মিল্লাদুংকা ৰাহমাতাওঁ অহাইয়্যি' লানা মিন আম্ৰিনা ৰাশ্বাদা।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি তোমাৰ নিজৰ ফালৰ পৰা আমাক অনুগ্ৰহ দান কৰা আৰু আমাৰ বাবে আমাৰ কৰ্মৰাজিক সঠিকভাৱে পৰিচালনাৰ ব্যৱস্থা কৰা। (ছুৰা আল-কাহাফঃ ১০)

২৫-

((رَبِّ اشْرَحْ لِي صَدْرِي25* وَيَسِّرْ لِي أَمْرِي26* وَاحْلُلْ عُقْدَةً مِّن لِّسَانِي27* يَفْقَهُوا قَوْلِي28))

উচ্চাৰণঃ ৰাব্বিশ্বৰাহ লী চাদ্ৰী।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোৰ বুকু প্ৰশস্ত কৰি দিয়া।

উচ্চাৰণঃ অয়াচ্ছিৰ লী আম্ৰী।

অৰ্থঃ ‘আৰু মোৰ কাম সহজ কৰি দিয়া।

উচ্চাৰণঃ অহলুল্ ‘উক্ব্দাতাম্ মিল্লিছা-নী য়াফ্ক্বাহূ ক্বাওলী।

অৰ্থঃ ‘আৰু মোৰ জিভাৰ জড়তা দূৰ কৰি দিয়া, যাতে তেওঁলোকে মোৰ কথা বুজিব পাৰে। (ছুৰা ত্বা-হাঃ ২৫-২৮)

২৬-

((رَّبِّ زِدْنِي عِلْمًا114))

উচ্চাৰণঃ ৰাব্বি ঝিদনী ইল্মা।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোৰ জ্ঞান বৃদ্ধি কৰি দিয়া৷ (ছুৰা ত্বা-হাঃ ১১৪)

২৭-

((لا إِلَهَ إِلا أَنتَ سُبْحَانَكَ إِنِّي كُنتُ مِنَ الظَّالِمِينَ87))

উচ্চাৰণঃ লা ইলা-হা ইল্লা আন্তা ছুবহা-নাকা ইন্নী কুংতু মিনাজ্ জ্ব-লিমীন।

অৰ্থঃ তোমাৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তুমি পৱিত্ৰ মহান, নিশ্চয় মই অন্যায় কৰিছিলোঁ৷ (ছুৰা আল-আম্বিয়া: ৮৭)

২৮-

((رَبِّ لا تَذَرْنِي فَرْدًا وَأَنتَ خَيْرُ الْوَارِثِينَ89))

উচ্চাৰণঃ ৰাব্বি লা তাযার্নী ফার্দাওঁ ৱা আন্তা খাইৰুল্ ৱা-ৰিছীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক অকলশৰীয়াকৈ (নিঃসন্তান) এৰি নিদিবা, তুমিয়েইতো শ্ৰেষ্ঠ উত্তৰাধিকাৰী। (ছুৰা আল-আম্বিয়া: ৮৯)

২৯-

((رَبِّ أَعُوذُ بِكَ مِنْ هَمَزَاتِ الشَّيَاطِينِ97 * وَأَعُوذُ بِكَ رَبِّ أَنْ يَحْضُرُونِ98))

উচ্চাৰণঃ ৰাব্বি আ'ঊজু বিকা মিন হামাঝা-তিশ্ শ্বাইয়া-তীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মই চয়তানৰ প্ৰৰোচনাৰ পৰা তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।

উচ্চাৰণঃ ৱা আ'ঊজু বিকা ৰাব্বি আঁইয়াহ্দুৰূন।

অৰ্থঃ 'লগতে কোৱা, হে মোৰ প্ৰতিপালক! মোৰ ওচৰত সিহঁতৰ (চয়তানবোৰৰ) উপস্থিতিৰ পৰা মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ'। (ছুৰা আল-মুমিনূনঃ ৯৭-৯৮)

৩০-

((رَبَّنَا آمَنَّا فَاغْفِرْ لَنَا وَارْحَمْنَا وَأَنتَ خَيْرُ الرَّاحِمِينَ109))

উচ্চাৰণঃ ৰাব্বানা আ-মান্না ফাগফিৰ্ লানা অৰহাম্না ৱা আন্তা খাইৰুৰ্ ৰা-হিমীন।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমি ঈমান আনিছোঁ, এতেকে তুমি আমাক ক্ষমা কৰা আৰু আমাৰ প্ৰতি দয়া কৰা, আৰু তুমি সৰ্বশ্ৰেষ্ঠ দয়ালু। (ছুৰা আল-মুমিনূনঃ ১০৯)

৩১-

((رَّبِّ اغْفِرْ وَارْحَمْ وَأَنتَ خَيْرُ الرَّاحِمِينَ118))

উচ্চাৰণঃ ৰাব্বিগ্‌ফিৰ্ অৰহাম্ ৱা আন্তা খাইৰুৰ্ ৰা-হিমীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! ক্ষমা কৰা আৰু দয়া কৰা, আৰু তুমিয়েই সৰ্বশ্ৰেষ্ঠ দয়ালু৷ (ছুৰা আল-মুমিনুন: ১১৮)

৩২-

((رَبَّنَا اصْرِفْ عَنَّا عَذَابَ جَهَنَّمَ إِنَّ عَذَابَهَا كَانَ غَرَامًا65* إِنَّهَا سَاءَتْ مُسْتَقَرًّا وَمُقَامًا 66))

উচ্চাৰণঃ ৰাব্বানাছৰিফ্ ‘আন্না ‘আজা-বা জাহান্নাম, ইন্না ‘আজা-বাহা কা-না গাৰা-মা।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি আমাৰ পৰা জাহান্নামৰ শাস্তি আঁতৰাই দিয়া, নিশ্চয় ইয়াৰ শাস্তি অবিচ্ছিন্ন।

উচ্চাৰণঃ ইন্নাহা ছা-আত্ মুস্তাক্কাৰ্ৰাওঁ অমুক্কা-মা।

অৰ্থঃ ‘নিশ্চয় সেয়া বসবাস আৰু অৱস্থানস্থল হিচাপে অতি নিকৃষ্ট’। (ছুৰা আল-ফুৰক্কানঃ ৬৫-৬৬)

৩৩-

((رَبَّنَا هَبْ لَنَا مِنْ أَزْوَاجِنَا وَذُرِّيَّاتِنَا قُرَّةَ أَعْيُنٍ وَاجْعَلْنَا لِلْمُتَّقِينَ إِمَامًا74))

উচ্চাৰণঃ ৰাব্বানা হাব্ লানা মিন্ আঝৱা-জিনা অজুৰ্ৰিয়্যা-তিনা কুৰ্ৰাতা আ'ইউনিন অজ্'আল্না লিল্ মুত্তাক্বীনা ইমা-মা।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক এনেকুৱা স্ত্ৰী আৰু সন্তান-সন্ততি দান কৰা, যাৰ দ্বাৰা আমাৰ চকু জুৰ পৰি যায়। লগতে তুমি আমাক মুত্তাক্বীসকলৰ বাবে অনুসৰণযোগ্য বনাই দিয়া। (ছুৰা আল-ফুৰক্বানঃ ৭৪)

৩৪-

((رَبِّ هَبْ لِي حُكْمًا وَأَلْحِقْنِي بِالصَّالِحِينَ83* وَاجْعَل لِّي لِسَانَ صِدْقٍ فِي الآخِرِينَ84 * وَاجْعَلْنِي مِن وَرَثَةِ جَنَّةِ النَّعِيمِ85))

উচ্চাৰণঃ ৰাব্বি হাব্ লী হুক্মাওঁ ৱা আলহিক্নী বিচ্ছা-লিহীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক হিকমত দান কৰা আৰু সৎকৰ্মশীলসকলৰ অন্তৰ্ভুক্ত কৰা।

উচ্চাৰণঃ অজ্'আল্ লী লিছা-না চিদ্কিন ফিল্ আ-খিৰীন।

অৰ্থঃ 'আৰু পৰৱৰ্তীসকলৰ মাজত মোৰ সুনাম-সুখ্যাতি অব্যাহত ৰাখা।

উচ্চাৰণঃ অজ্'আল্নী মিন অৰাছাতি জান্নাতিন্ নাঈম।

অর্থঃ 'আৰু মোক সুখময় জান্নাতৰ উত্তৰাধিকাৰীসকলৰ অন্তৰ্ভুক্ত কৰা। (ছুৰা আশ্ব-শ্বুআৰাঃ ৮৩-৮৫)

৩৫-

((وَلا تُخْزِنِي يَوْمَ يُبْعَثُونَ87 * يَوْمَ لَا يَنْفَعُ مَالٌ وَلَا بَنُونَ88 * إِلَّا مَنْ أَتَى اللَّهَ بِقَلْبٍ سَلِيمٍ89))

উচ্চাৰণঃ অলা তুখ্‌ঝিনী য়াওমা ইউব'আছূন।

অর্থঃ আৰু (হে মোৰ প্রতিপালক!) পুনৰুত্থানৰ দিনা মোক লাঞ্ছিত নকৰিবা।

উচ্চাৰণঃ য়াওমা লা য়ানফা'উ মা-লুওঁ অলা বানূন।

অর্থঃ 'যিদিনা ধন-সম্পদ আৰু সন্তান-সন্ততি কোনো কামত নাহিব;

উচ্চাৰণঃ ইল্লা মান্ আতাল্লা-হা বিক্বালবিন ছালীম।

অর্থঃ সেইদিনা উপকৃত হ'ব কেৱল সেই ব্যক্তি, যিজনে লৈ আহিব আল্লাহৰ ওচৰত বিশুদ্ধ অন্তঃকৰণ'। (ছুৰা আশ্ব-শ্বুআৰাঃ ৮৭-৮৯)

৩৬-

((رَبِّ أَوْزِعْنِي أَنْ أَشْكُرَ نِعْمَتَكَ الَّتِي أَنْعَمْتَ عَلَيَّ وَعَلَى وَالِدَيَّ وَأَنْ أَعْمَلَ صَالِحًا تَرْضَاهُ وَأَدْخِلْنِي بِرَحْمَتِكَ فِي عِبَادِكَ الصَّالِحِينَ19))

উচ্চাৰণঃ ৰাব্বি আউঝি'নী আন্ আশ্বকুৰা নিআমাতাকাল্লাতী আন'আম্‌তা 'আলাইয়্যা ৱা 'আলা

ৱা-লিদাইয়্যা ৱা আন্ আ'মালা চা-লিহান তাৰ্দ্বা-হু ৱা আদ্খিল্নী বিৰাহমাতিকা ফী 'ইবাদিকাচ্ছা-লিহীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! তুমি মোক সামৰ্থ দিয়া যাতে মই তোমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিব পাৰোঁ, মোৰ প্ৰতি আৰু মোৰ পিতৃ-মাতৃৰ প্ৰতি তুমি যি অনুগ্ৰহ কৰিছা তাৰ বাবে, লগতে মই যাতে এনেকুৱা সৎকৰ্ম কৰিব পাৰোঁ যিটোক তুমি পছন্দ কৰা। লগতে তোমাৰ অনুগ্ৰহেৰে মোক তোমাৰ সৎকৰ্মপৰায়ণ বান্দাসকলৰ অন্তৰ্ভুক্ত কৰা। (ছুৰা আন-নামলঃ ১৯)

৩৭-

((رَبِّ إِنِّي ظَلَمْتُ نَفْسِي فَاغْفِرْ لِي))

উচ্চাৰণঃ ৰাব্বি ইন্নী জ্বালাম্তু নাফ্ছী ফাগফিৰ্ লী।

অৰ্থঃ হে মোৰ প্ৰতিপালক! নিশ্চয় মই মোৰ নিজৰ প্ৰতি অন্যায় কৰিছোঁ, সেয়ে তুমি মোক ক্ষমা কৰাঁ৷ (ছুৰা আল-ক্বাচাচ: ১৬)

৩৮-

((رَبِّ نَجِّنِي مِنَ الْقَوْمِ الظَّالِمِينَ21))

উচ্চাৰণঃ ৰাব্বি নাজ্জিনী মিনাল্ ক্বাওমিজ্ জ্বলিমীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! তুমি মোক যালিম সম্প্ৰদায়ৰ পৰা ৰক্ষা কৰা। (ছুৰা আল-ক্বাচাচঃ ২১)

৩৯-

((عَسَى رَبِّي أَن يَهْدِيَنِي سَوَاءَ السَّبِيلِ22))

উচ্চাৰণঃ আছা ৰাব্বী আন্ য়াহ্দিয়ানী ছাৱা-আচ্ছাবীল।

অৰ্থঃ আশা কৰোঁ মোৰ প্ৰতিপালকে মোক সৰল পথ দেখুৱাব৷ (ছুৰা কাচাচঃ ২২)

৪০-

((رَبِّ إِنِّي لِمَا أَنزَلْتَ إِلَيَّ مِنْ خَيْرٍ فَقِيرٌ24))

উচ্চাৰণঃ ৰাব্বি ইন্নী লিমা আংঝালতা ইলাইয়্যা মিন খাইৰিন ফাকীৰ।

অৰ্থঃ হে মোৰ প্ৰতিপালক! নিশ্চয় তুমি মোৰ প্ৰতি যি অনুগ্ৰহেই অৱতীৰ্ণ নকৰা কিয়, মই সেইটোৰে মুখাপেক্ষী। (ছুৰা আল-ক্বাচাচঃ ২৪)

৪১-

((رَبِّ انصُرْنِي عَلَى الْقَوْمِ الْمُفْسِدِينَ30))

উচ্চাৰণঃ ৰাব্বিংচুৰ্নী আলাল্ ক্বাওমিল্ মুফছিদীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! বিপৰ্যয় সৃষ্টিকাৰী সম্প্ৰদায়ৰ বিৰুদ্ধে তুমি মোক সহায় কৰা৷ (ছুৰা আল-আনকাবূত: ৩০)

৪২-

((رَبِّ هَبْ لِي مِنَ الصَّالِحِينَ100))

উচ্চাৰণঃ ৰাব্বি হাব্ লী মিনাচ্ছা-লিহীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক এজন সৎকৰ্মপৰায়ণ সন্তান দান কৰা। (ছুৰা আচ-চা-ফফা-তঃ ১০০)

৪৩-

((رَبِّ أَوْزِعْنِي أَنْ أَشْكُرَ نِعْمَتَكَ الَّتِي أَنْعَمْتَ عَلَيَّ وَعَلَى وَالِدَيَّ وَأَنْ أَعْمَلَ صَالِحًا تَرْضَاهُ وَأَصْلِحْ لِي فِي ذُرِّيَّتِي إِنِّي تُبْتُ إِلَيْكَ وَإِنِّي مِنَ الْمُسْلِمِينَ15))

উচ্চাৰণঃ ৰাব্বি আউঝি'নী আন্ আশ্বকুৰা নিআমাতাকাল্লাতী আন'আম্তা 'আলাইয়্যা ৱা 'আলা ৱা-লিদাইয়্যা ৱা আন্ আ'মালা চা-লিহান তাৰ্দ্বা-হু ৱা আচলিহ্ লী ফী জুৰ্ৰিয়্যাতী ইন্নী তুব্তু ইলাইকা ৱা ইন্নী মিনাল্ মুছলিমীন।

অৰ্থঃ হে মোৰ প্ৰতিপালক! তুমি মোক সামৰ্থ দিয়া, যাতে মই তোমাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰোঁ, মোৰ প্ৰতি আৰু মোৰ পিতৃ-মাতৃৰ প্ৰতি তুমি যি অনুগ্ৰহ কৰিছা তাৰ বাবে, লগতে যাতে মই এনেকুৱা সৎকৰ্ম কৰিব পাৰোঁ যিটো তুমি পছন্দ কৰা, আৰু মোৰ বাবে মোৰ সন্তান-সন্ততিসকলক সংশোধন কৰি দিয়া, নিশ্চয় মই তোমাৰেই অভিমুখী হৈছোঁ আৰু নিশ্চয় মই মুছলিমসকলৰ অন্তৰ্ভুক্ত। (ছুৰা আল-আহক্বাফ: ১৫)

৪৪-

((رَبَّنَا اغْفِرْ لَنَا وَلِإِخْوَانِنَا الَّذِينَ سَبَقُونَا بِالإِيمَانِ وَلا تَجْعَلْ فِي قُلُوبِنَا غِلاً لِّلَّذِينَ آمَنُوا رَبَّنَا إِنَّكَ رَؤُوفٌ رَّحِيمٌ10))

উচ্চাৰণঃ ৰাব্বানাগফিৰ্ লানা অলি-ইখ্ৱানিনাল্লাজীনা ছাবাক্বূনা বিল্ ঈমানি অলা তাজ্‘আল্ ফী ক্বুলূবিনা গিল্লাল লিল্লাজীনা আ-মানু ৰাব্বানা ইন্নাকা ৰাউফুৰ্ ৰহীম।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক আৰু আমাৰ পূৰ্বে ঈমান পোষণ কৰা আমাৰ ভাতৃসকলক ক্ষমা কৰি দিয়া; আৰু যিসকলে ঈমান আনিছে তেওঁলোকৰ বিৰুদ্ধে আমাৰ অন্তৰত কোনো বিদ্বেষ নাৰাখিবা। হে আমাৰ প্ৰতিপালক! নিশ্চয় তুমি স্নেহশীল, পৰম দয়ালু। (ছুৰা আল-হাশ্বৰঃ ১০)

৪৫-

((رَّبَّنَا عَلَيْكَ تَوَكَّلْنَا وَإِلَيْكَ أَنَبْنَا وَإِلَيْكَ الْمَصِيرُ4))

উচ্চাৰণঃ ৰাব্বানা ‘আলাইকা তাৱাক্কাল্না ৱা ইলাইকা আনাব্না ৱা ইলাইকাল্ মাচীৰ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘আমি তোমাৰ ওপৰতেই ভৰসা কৰিছোঁ, আৰু তোমাৰেই অভিমুখী হৈছোঁ আৰু তোমাৰ ওচৰলৈকেই আমাৰ প্ৰত্যাৱৰ্তন’। (ছুৰা আল-মুমতাহিনাহঃ ৪)

৪৬-

((رَبَّنَا لا تَجْعَلْنَا فِتْنَةً لِّلَّذِينَ كَفَرُوا وَاغْفِرْ لَنَا رَبَّنَا إِنَّكَ أَنتَ الْعَزِيزُ الْحَكِيمُ5))

উচ্চাৰণঃ ৰাব্বানা লা তাজ্‘আল্না ফিতনাতাল্ লিল্লাজীনা কাফাৰূ অগফিৰ্ লানা ৰাব্বানা ইন্নাকা আন্তাল্ ‘আঝীঝুল্ হাকীম।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি আমাক কাফিৰসকলৰ ফিতনাৰ পাত্ৰ নকৰিবা। হে আমাৰ প্ৰতিপালক! তুমি আমাক ক্ষমা কৰি দিয়া; নিশ্চয় তুমি পৰাক্ৰমশালী, প্ৰজ্ঞাময়’। (ছূৰা আল-মুমতাহিনাহ: ৫)

৪৭-

((رَبَّنَا أَتْمِمْ لَنَا نُورَنَا وَاغْفِرْ لَنَا إِنَّكَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ8))

উচ্চাৰণঃ ৰাব্বানা আত্‌মিম্ লানা নূৰানা অগফিৰ্ লানা ইন্নাকা ‘আলা কুল্লি শ্বাইয়িন ক্বাদীৰ।

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাৰ বাবে আমাৰ নূৰক পূৰ্ণতা দান কৰা আৰু আমাক ক্ষমা কৰি দিয়া, নিশ্চয় তুমি সকলো বস্তুৰ ওপৰত ক্ষমতাৱান। (ছূৰা আত-তাহৰীমঃ ৮)

৪৮-

((رَبِّ اغْفِرْ لِي وَلِوَالِدَيَّ وَلِمَن دَخَلَ بَيْتِيَ مُؤْمِنًا وَلِلْمُؤْمِنِينَ وَالْمُؤْمِنَاتِ))

উচ্চাৰণঃ ৰাব্বিগফিৰ্ লী অলিওৱা-লিদাইয়্যা অলিমান দাখালা বাইতীয়া মু’মিনাওঁ অলিল্ মু’মিনীনা অল্ মু’মিনাত।

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক আৰু মোৰ পিতৃ-মাতৃক, লগতে যিয়ে মুমিন হৈ মোৰ ঘৰত প্ৰৱেশ কৰিছে তাক, আৰু মুমিন পুৰুষ তথা মুমিনা নাৰীসকলক ক্ষমা কৰি দিয়া। (ছূৰা নুহঃ ২৮)

৪৯- "আল্লা-হুম্মাহ্দিনী লিমাখতুলিফা ফীহি মিনাল হাক্কি বিইযনিক, ইন্নাকা তাহদী মান তাশ্বা-উ' ইলা চিৰাত্বিম মুস্তাক্বীম।"

অৰ্থঃ হে আল্লাহ! সত্যৰ সেই বিষয়ত মোক তোমাৰ অনুমতিৰে হিদায়ত দিয়া, য'ত মতানৈক্য সৃষ্টি হৈছে। নিশ্চয় তুমি যাকে ইচ্ছা কৰা, তাকেই সৰল পথৰ দিশে হিদায়ত দিয়া।

৫০- "আল্লা-হুম্মা আ-তিনীল্ হিকমাতাল্লাতী মান 'উ-তীহা ফাক্বা'দ উ-তীয়া খাইৰান কাছীৰা।"

অৰ্থঃ হে আল্লাহ! মোক হিকমত দান কৰা, কাৰণ যাক হিকমত দান কৰা হয়, তাক দৰাচলতে প্ৰভূত কল্যাণ দান কৰা হয়।

৫১- "আল্লা-হুম্মা ছাব্বিতনী বিল ক্বাওলিচ্ছা-বিতি ফিল হায়াতিদ দুনিয়া অফিল আ-খিৰাহ।"

অৰ্থঃ হে আল্লাহ! তুমি মোক সুদৃঢ় বাক্যৰ দ্বাৰা পাৰ্থিৱ জীৱনত আৰু আখিৰাতত সুপ্ৰতিষ্ঠিত ৰাখা।

৫২- (আল্লা-হুম্মা হাব্বিব্ ইলাইনাল্-ঈমানা অঝাইয়্যিনহু ফী ক্বুলূবিনা, অকাৰ্ৰিহ্ ইলাইনাল্-কুফ্ৰা অল্-ফুছূকা অল্-'ইচিয়ান, অজ্'আল্না মিনাৰ ৰা-শ্বিদীন।)

অৰ্থঃ হে আল্লাহ! আমাৰ ওচৰত ঈমানক প্ৰিয় কৰি দিয়া আৰু সেইটোক আমাৰ হৃদয়ত সুশোভিত কৰি

দিয়া। লগতে আমাৰ ওচৰত কুফৰী, পাপকৰ্ম আৰু অবাধ্যতাক অপ্ৰিয় কৰি দিয়া, আৰু আমাক সঠিক পথপ্ৰাপ্তসকলৰ অন্তৰ্ভুক্ত কৰা।

৫৩- "আল্লা-হুম্মা ক্বিনী শ্বুহহা নাফ্ছী, অজ'আলনী মিনাল মুফলিহীন।"

অৰ্থঃ হে আল্লাহ! তুমি মোক মোৰ আত্মাৰ কৃপণতাৰ পৰা ৰক্ষা কৰা, আৰু মোক সফলতা অৰ্জনকাৰীসকলৰ অন্তৰ্ভুক্ত কৰা।

54- ((اللهمّ آتنا في الدنيا حسنة، وفي الآخرة حسنة وقنا عذاب النار)).

৫৪- "আল্লা-হুম্মা আ-তিনা ফিদ্দুনিয়া হাছানাতাওঁ অফিল্ আ-খিৰাতি হাছানাতাওঁ অক্বিনা 'আজাবান্ না-ৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দিয়া লগতে আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

55- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ فِتْنَةِ النَّارِ وَعَذَابِ النَّارِ، وَفِتْنَةِ الْقَبْرِ، وَعَذَابِ الْقَبْرِ، وَشَرِّ فِتْنَةِ الْغِنَى، وَشَرِّ فِتْنَةِ الْفَقْرِ، اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ شَرِّ فِتْنَةِ الْمَسِيحِ الدَّجَّالِ، اللَّهُمَّ اغْسِلْ قَلْبِي بِمَاءِ الثَّلْجِ وَالْبَرَدِ، وَنَقِّ قَلْبِي مِنْ الْخَطَايَا كَمَا نَقَّيْتَ الثَّوْبَ الْأَبْيَضَ مِنْ الدَّنَسِ، وَبَاعِدْ بَيْنِي وَبَيْنَ خَطَايَايَ كَمَا بَاعَدْتَ بَيْنَ الْمَشْرِقِ وَالْمَغْرِبِ. اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ الْكَسَلِ وَالْمَأْثَمِ وَالْمَغْرَمِ)).

৫৫- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন ফিতনাতিন্না-ৰি ৱা আযাবিন্না-ৰ, অফিতনাতিল-কাব্ৰি ৱা আযাবিল-কাব্ৰ, অশ্বাৰ্ৰি ফিতনাতিল-গিনা, অশ্বাৰ্ৰি ফিতনাতিল-ফাক্ৰ, আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন শ্বাৰ্ৰি

ফিতনাতিল মাছীহিদ দাজ্জাল, আল্লা-হুম্মাগছিল ক্বালবী বিমা-ইছ ছালজি অল-বাৰাদ, অনাক্কি ক্বলবী মিনাল খাত্বা-য়া কামা নাক্কাইতাছ্-ছাওবাল আবয়াজা মিনাদ-দানাছ, অবা-ইদ বাইনী অবাইনা খাত্বা-য়া-য়া কামা বা-আত্তা বাইনাল মাশ্বৰিক্বি অল মাগৰিব। আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল কাছালি অল-মা'ছামি অল-মাগৰাম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ জাহান্নামৰ ফিতনা আৰু জাহান্নামৰ শাস্তিৰ পৰা, কবৰৰ ফিতনা আৰু কবৰৰ শাস্তিৰ পৰা, ধন-সম্পদৰ ফিতনাৰ অনিষ্টৰ পৰা আৰু দাৰিদ্ৰ্যতাৰ ফিতনাৰ অনিষ্টৰ পৰা। হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ মাছীহিদ দাজ্জালৰ ফিতনাৰ অনিষ্টৰ পৰা। হে আল্লাহ! মোৰ অন্তৰখন বৰফ আৰু শিলাবৃষ্টিৰ পানীৰে ধুই দিয়া, আৰু মোৰ অন্তৰখনক পাপৰ পৰা সেইদৰে পৰিষ্কাৰ কৰা যিদৰে তুমি বগা কাপোৰক মলিৰ পৰা পৰিষ্কাৰ কৰা, আৰু মোৰ আৰু মোৰ পাপসমূহৰ মাজত তেনেকুৱা দূৰত্ব সৃষ্টি কৰি দিয়া যিদৰে তুমি পূব আৰু পশ্চিমৰ মাজত দূৰত্ব সৃষ্টি কৰিছা। হে আল্লাহ! মই তোমাৰ ওচৰত অলসতা, পাপকৰ্ম আৰু ঋণৰ পৰা আশ্ৰয় বিচাৰোঁ।

56- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْعَجْزِ، وَالْكَسَلِ، وَالْجُبْنِ، وَالْهَرَمِ، والْبُخْلِ، وَأَعُوذُ بِكَ مِنْ عَذَابِ الْقَبْرِ، وَمِنْ فِتْنَةِ الْمَحْيَا وَالْمَمَاتِ)).

৫৬- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল আ'জঝি, অল কাছাল, অল জুব্নি, অল হাৰাম, অল বুখল। ৱা আ'উজু বিকা মিন আজা-বিল কাব্র, অমিন ফিতনাতিল-মাহ্য়া অল-মামাত।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, বৃদ্ধ অৱস্থাৰ পৰা আৰু কৃপণতাৰ পৰা। লগতে মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ কবৰৰ শাস্তিৰ পৰা, আৰু জীৱন আৰু মৃত্যুৰ সময়ৰ ফিতনাৰ পৰা।

57- ((اللهمَّ إنِّي أعُوذُ بِكَ مِنْ جَهْدِ الْبَلَاءِ، وَدَرَكِ الشَّقَاءِ، وَسُوءِ الْقَضَاءِ، وَشَمَاتَةِ الْأَعْدَاءِ)).

৫৭- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন জাহদিল-বালা, অদাৰাকিশ্ব-শ্বাক্বা', অছূ-ইল্-ক্বাজা', অশ্বামা-তাতিল আ'দা'।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ বিপদ-আপদৰ কঠোৰতাৰ পৰা, দুৰ্ভাগ্যত পতিত হোৱাৰ পৰা, ভাগ্যৰ অশুভ পৰিণতিৰ পৰা আৰু শত্ৰুৰ আনন্দ হোৱাৰ পৰা।

58- ((اللَّهُمَّ أَصْلِحْ لِي دِينِي الَّذِي هُوَ عِصْمَةُ أَمْرِي، وَأَصْلِحْ لِي دُنْيَايَ الَّتِي فِيهَا مَعَاشِي، وَأَصْلِحْ لِي آخِرَتِي الَّتِي فِيهَا مَعَادِي، وَاجْعَلِ الْحَيَاةَ زِيَادَةً لِي فِي كُلِّ خَيْرٍ، وَاجْعَلِ الْمَوْتَ رَاحَةً لِي مِنْ كُلِّ شَرٍّ)).

৫৮- "আল্লা-হুম্মা আচলিহ লী দ্বীনি আল্লাজী হুৱা ইচমাতু আম্ৰী। ওৱা আচলিহ লী দুনিয়া-য়া আল্লাতী ফী-হা মাআ-শ্বী। ওৱা আচলিহ লী আ-খিৰাতী আল্লাতী ফীহা

মাআ-দী। অজআলিল হায়া-তা ঝিয়া-দাতান লী ফী কুল্লি খাইৰ। অজআলিল মাওতা ৰা-হাতান লী মিন কুল্লি শ্বাৰ্ৰ।"

অৰ্থঃ হে আল্লাহ! তুমি মোৰ দ্বীনক সংশোধন কৰি দিয়া, এই দ্বীনেই হৈছে মোৰ নিৰাপত্তা; তুমি মোৰ দুনিয়া সংশোধন কৰি দিয়া, য'ত আছে মোৰ জীৱন-জীৱিকা, আৰু মোৰ পৰকালক সংশোধন কৰি দিয়া, য'ত মই উভতি যাব লাগিব। তুমি প্ৰতিটো কল্যাণৰ বাবে মোৰ আয়ু বঢ়াই দিয়া আৰু প্ৰতিটো পাপ বা অকল্যাণৰ পৰা ৰক্ষা কৰি তুমি মোৰ মৃত্যুক আনন্দদায়ক বনাই দিয়া।

59- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ الْهُدَى، وَالتُّقَى، وَالْعَفَافَ، وَالْغِنَى)).

৫৯- "আল্লা-হুম্মা ইন্নী আছ্আলুকাল হুদা, অত্-তুক্বা, অল আফা-ফা, অল গিনা"।

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত হিদায়ত প্ৰাৰ্থনা কৰোঁ, তাক্বৱা বিচাৰোঁ, চাৰিত্ৰিক পৱিত্ৰতা আৰু সচ্ছলতাৰ বাবে প্ৰাৰ্থনা জনাওঁ।

60- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْعَجْزِ، وَالْكَسَلِ، وَالْجُبْنِ، وَالْبُخْلِ، وَالْهَرَمِ، وَعَذَابِ الْقَبْرِ، اللَّهُمَّ آتِ نَفْسِي تَقْوَاهَا، وَزَكِّهَا أَنْتَ خَيْرُ مَنْ زَكَّاهَا، أَنْتَ وَلِيُّهَا وَمَوْلَاهَا، اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ عِلْمٍ لَا يَنْفَعُ، وَمِنْ قَلْبٍ لَا يَخْشَعُ، وَمِنْ نَفْسٍ لَا تَشْبَعُ، وَمِنْ دَعْوَةٍ لَا يُسْتَجَابُ لَهَا)).

৬০- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল আ'জঝি অল কাছাল, অল জুব্নি, অল বুখল, অল হাৰাম। ৱা আজা-বিল-কাব্ৰ। আল্লা-হুম্মা আ-তি নাফ্ছী তাক্বৱা-হা, অঝাক্কিহা আন্তা খাইৰু মান ঝাক্কা-হা, আন্তা অলিয়্যুহা

অমাওলা-হা। আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন ইল্‌মিল্ লা য়ান্‌ফা', অমিন ক্বালবিল্ লা য়াখ্‌শ্বা', অমিন নাফ্‌ছিন লা তাশ্ববা', অমিন দা'ৱাতিল্ লা ইউস্তাজাবু লাহা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা আৰু বৃদ্ধ অৱস্থাৰ পৰা, লগতে কবৰৰ শাস্তিৰ পৰা। হে আল্লাহ! মোৰ অন্তৰত তাক্বৱা দান কৰা, আৰু ইয়াক পৰিশুদ্ধ কৰি দিয়া, কাৰণ তুমিয়ে সৰ্বোত্তম অন্তৰ পৰিশুদ্ধকাৰী। তুমিয়েই ইয়াৰ অভিভাৱক আৰু ৰক্ষক। হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ এনেকুৱা জ্ঞানৰ পৰা, যিটো কোনো উপকাৰ নকৰে, আৰু এনেকুৱা অন্তৰৰ পৰা যিটো তোমাৰ ভয়ত কম্পিত নহয়, এনেকুৱা নফছৰ পৰা যিটো কেতিয়াও তৃপ্ত নহয়, আৰু এনেকুৱা দুআৰ পৰা যিটো কবূল কৰা নহয়।

61- ((اللَّهُمَّ اهْدِنِي وَسَدِّدْنِي، اللَّهُمَّ إِنِّي أَسْأَلُكَ الْهُدَى وَالسَّدَادَ)).

৬১- "আল্লা-হুম্মাহ্‌দিনী অছাদ্দিদনী, আল্লা-হুম্মা ইন্নী আছ্‌আলুকাল হুদা অচ্ছাদাদ।"

অৰ্থঃ হে আল্লাহ! মোক হিদায়ত দিয়া, আৰু মোক সঠিক পথত পৰিচালিত কৰা। হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, তুমি মোক হিদায়ত প্ৰদান কৰা আৰু সঠিক পথত পৰিচালিত কৰা।

62- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ زَوَالِ نِعْمَتِكَ، وَتَحَوُّلِ عَافِيَتِكَ، وَفُجَاءَةِ نِقْمَتِكَ، وَجَمِيعِ سَخَطِكَ)).

৬২- "আল্লা-হুম্মা ইন্নি আউজুবিকা মিন ঝাৱালি নি'মাতিক, অতাহাওউলি আ-ফিয়াতিক, অফুজা-আতি নিকমাতিক, অজামী-য়ি ছাখাতিক।"

অৰ্থঃ হে আল্লাহ! নিশ্চয় মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ অপসাৰণৰ পৰা, নিৰাপত্তাৰ পৰিবৰ্তনৰ পৰা, আকস্মিক কৰায়ত্বৰ পৰা আৰু যাৱতীয় অসন্তুষ্টিৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।

63- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ شَرِّ مَا عَمِلْتُ، وَمِنْ شَرِّ مَا لَمْ أَعْمَلْ)).

৬৩- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন শ্বাৰ্ৰি মা আমিলতু, অমিন শ্বাৰ্ৰি মা লাম আ'মাল।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ মই যি আমল কৰিছোঁ তাৰ অনিষ্টৰ পৰা, আৰু যি মই কৰা নাই তাৰ অনিষ্টৰ পৰা।

64- ((اللَّهُمَّ أَكْثِرْ مَالِي، وَوَلَدِي، وَبَارِكْ لِي فِيمَا أَعْطَيْتَنِي))، (([وَأَطِلْ حَيَاتِي عَلَى طَاعَتِكَ، وَأَحْسِنْ عَمَلِي، [وَاغْفِرْ لِي)).

৬৪- "আল্লা-হুম্মা আকছিৰ মা-লী, অৱালাদী, অবা-ৰিক লী ফীমা আ'তাইতানী।" "[ৱা আতিল হায়া-তী আলা ত্বা-আতিকা, ৱা আহছিন আমালী,] অগফিৰ লী।"

অৰ্থঃ হে আল্লাহ! মোৰ ধন-সম্পদ আৰু সন্তান-সন্ততি বৃদ্ধি কৰি দিয়া, আৰু তুমি মোক যি দান কৰিছা তাত বৰকত দিয়া। [আৰু তোমাৰ আনুগত্যত মোৰ জীৱন

দীৰ্ঘায়ু কৰা, মোৰ কৰ্মসমূহ উত্তম কৰি দিয়া,] আৰু মোক ক্ষমা কৰি দিয়া।

65- ((لَا إِلَهَ إِلَّا اللَّهُ الْعَظِيمُ الْحَلِيمُ، لَا إِلَهَ إِلَّا اللَّهُ رَبُّ الْعَرْشِ الْعَظِيمِ، لَا إِلَهَ إِلَّا اللَّهُ رَبُّ السَّمَوَاتِ، وَرَبُّ الْأَرْضِ، وَرَبُّ الْعَرْشِ الْكَرِيمِ)).

৬৫- ((লা ইলা-হা ইল্লাল্লাহুল আজীমুল হালীম, লা ইলা-হা ইল্লাল্লাহু ৰাব্বুল আৰ্শ্বিল আজীম, লা ইলা-হা ইল্লাল্লাহু ৰাব্বুছ ছামা-ৱা-তি, অৰাব্বুল আৰ্জি, অৰাব্বুল আৰ্শ্বিল কাৰীম।))

অৰ্থঃ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ মহান, পৰম সহনশীল। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ মহা আৰচৰ অধিপতি। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ আকাশমণ্ডলৰ প্ৰতিপালক আৰু তেওঁ পৃথিৱীৰ প্ৰতিপালক, লগতে সন্মানীয় মহা সিংহাসনৰ প্ৰতিপালক।

66- ((اللَّهُمَّ رَحْمَتَكَ أَرْجُو فَلَا تَكِلْنِي إِلَى نَفْسِي طَرْفَةَ عَيْنٍ، وَأَصْلِحْ لِي شَأْنِي كُلَّهُ لَا إِلَهَ إِلَّا أَنْتَ)).

৬৬- "আল্লা-হুম্মা ৰাহ্‌মাতাকা আৰ্জু, ফালা তাকিল্‌নী ইলা নাফ্‌ছী তাৰ্ফাতা 'আইন, ৱা আচলিহ্ লী শ্বা'নী কুল্লাহ, লা ইলাহা ইল্লা আন্তা।"

অৰ্থঃ হে আল্লাহ! মই কেৱল তোমাৰ কৰুণাৰ প্ৰত্যাশী, এতেকে তুমি মোক এক পলৰ বাবেও মোৰ দায়িত্বত এৰি নিদিবা। তুমি মোৰ সকলো বিষয় সংশোধন কৰি

দিয়া; তোমাৰ বাহিৰে আন কোনো সত্য ইলাহ (উপাস্য) নাই।

67- ((لاَ إِلَهَ إِلاَّ أَنْتَ سُبْحَانَكَ إِنِّي كُنْتُ مِنَ الظَّالِمِينَ)).

৬৭- "লা ইলা-হা ইল্লা আন্‌তা ছুব্‌হা-নাকা ইন্নি কুংতু মিনাজ্‌জা-লিমীন।"

অৰ্থঃ তোমাৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তুমি পৱিত্ৰ মহান, নিশ্চয় মই অন্যায় কৰিছিলোঁ।

68- ((اللَّهُمَّ إِنِّي عَبْدُكَ ابْنُ عَبْدِكَ ابْنُ أَمَتِكَ، نَاصِيَتِي بِيَدِكَ، مَاضٍ فِيَّ حُكْمُكَ، عَدْلٌ فِيَّ قَضَاؤُكَ، أَسْأَلُكَ بِكُلِّ اسْمٍ هُوَ لَكَ سَمَّيْتَ بِهِ نَفْسَكَ، أَوْ أَنْزَلْتَهُ فِي كِتَابِكَ، أَوْ عَلَّمْتَهُ أَحَدًا مِنْ خَلْقِكَ، أَوِ اسْتَأْثَرْتَ بِهِ فِي عِلْمِ الْغَيْبِ عِنْدَكَ، أَنْ تَجْعَلَ الْقُرْآنَ رَبِيعَ قَلْبِي، وَنُورَ صَدْرِي، وَجَلَاءَ حُزْنِي، وَذَهَابَ هَمِّي)).

৬৮- "আল্লা-হুম্মা ইন্নি আব্দুক, অবনু আব্দিক, অবনু আমাতিক, না-চিয়াতি বিয়াদিক, মা-জিন ফিয়্যা হুকমুক, আদলুন ফিয়্যা কাজা-উক, আছআলুকা বিকুল্লি ইছমিন হুৱা লাক, ছাম্মাইতা বিহি নাফছাক, আও আনঝালতাহু ফী কিতা-বিক, আও আল্লামতাহু আহাদাম মিন খালকিক, আৱিছ তা’ছাৰতা বিহি ফী ইল্মিল গাইবি ইনদাক, আন তাজআলাল কোৰআ-না ৰাবীআ ক্বালবী, ওৱা নূৰা চাদৰী, অজালা-আ হুঝনী, অজাহা-বা হাম্মী।"

অৰ্থঃ হে আল্লাহ! নিশ্চয় মই হৈছোঁ তোমাৰ দাস, তোমাৰ দাসৰ পুত্ৰ, আৰু তোমাৰ দাসীৰ পুত্ৰ। মোৰ কপাল হৈছে তোমাৰ হাতত। তোমাৰ আদেশ মোৰ ওপৰত বলৱৎ, আৰু তোমাৰ নিৰ্ণয় ন্যায়সঙ্গত। মই

তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, তোমাৰ প্ৰত্যেক সেই নামৰ দ্বাৰা, যিবোৰ নাম তুমি নিজৰ বাবে চয়ন কৰিছা, অথবা যিবোৰ অৱতীৰ্ণ কৰিছা তোমাৰ গ্ৰন্থত, নাইবা তোমাৰ কোনো সৃষ্টিক শিক্ষা দিছা অথবা তুমি তোমাৰ ইল্মে গায়েবত ৰাখি থৈছা। (হে আল্লাহ!) তুমি মহান কোৰআনক মোৰ অন্তৰৰ বাবে প্ৰেৰণা বনাই দিয়া, মোৰ বুকুৰ নূৰ বনাই দিয়া, মোৰ দুশ্চিন্তা আৰু ক্লান্তি দূৰ কৰি দিয়া।

69- ((اللَّهُمَّ مُصَرِّفَ القُلُوبِ صَرِّفْ قُلُوبَنَا عَلَى طَاعَتِكَ)).

৬৯- "আল্লা-হুম্মা মুছাৰ্ৰিফাল কুলূব, ছাৰ্ৰিফ্ কুলূবানা ‘আলা তা-আতিক।"

অৰ্থঃ হে হৃদয়সমূহৰ পৰিবৰ্তনকাৰী আল্লাহ! আমাৰ হৃদয়সমূহক তোমাৰ আনুগত্যৰ দিশত পৰিবৰ্তন কৰি দিয়া।

70- ((يَا مُقَلِّبَ القُلُوبِ ثَبِّت قَلْبِي عَلَى دِينِكَ)).

৭০- "ইয়া মুকাল্লিবাল কুলূব, ছাব্বিত ক্বাল্বী ‘আলা দ্বীনিক।"

অৰ্থঃ হে হৃদয়সমূহৰ পৰিবৰ্তনকাৰী (আল্লাহ)! তুমি মোৰ অন্তৰক তোমাৰ দ্বীনৰ ওপৰত অটল ৰাখা।

71- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ[اليَقِينَ] و[العفْوَ] والْعَافِيَةَ فِي الدُّنْيَا وَالآخِرَةِ)).

৭১- ((আল্লা-হুম্মা ইন্নী আছআলুকাল [য়াক্বীনা] অল [আফৱা] অল ‘আ-ফিয়াতা ফিদ্দুনিয়া অল আ-খিৰাহ।))

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত [দৃঢ় বিশ্বাস], [ক্ষমা] আৰু ইহকাল আৰু পৰকাল উভয়ৰে শান্তি, নিৰাপত্তা আৰু সুস্থতা প্ৰাৰ্থনা কৰোঁ।

72- ((اللهمّ أحْسِنْ عَاقِبَتَنَا فِي الأُمُورِ كُلِّهَا، وَأجِرْنَا مِنْ خِزْيِ الدُّنْيَا وَعَذَابِ الآخِرَةِ)).

৭২- ((আল্লা-হুম্মা আহ্ছিন্ ‘আ-ক্বিবাতানা ফিল উমূৰি কুল্লিহা, ৱা আজিৰ্না মিন খিঝয়িদ্দুনিয়া, ৱা ‘আজা-বিল আ-খিৰাহ।))

অৰ্থঃ হে আল্লাহ! সকলো ক্ষেত্ৰতে আমাৰ পৰিণাম শুভ কৰি দিয়া। লগতে আমাক দুনিয়াৰ অপমানৰ পৰা আৰু আখিৰাতৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

73- ((رَبِّ أَعِنِّي وَلَا تُعِنْ عَلَيَّ، وَانْصُرْنِي وَلَا تَنْصُرْ عَلَيَّ، وَامْكُرْ لِي وَلَا تَمْكُرْ عَلَيَّ، وَاهْدِنِي وَيَسِّرِ الهُدَى إِلَيَّ، وَانْصُرْنِي عَلَى مَنْ بَغَى عَلَيَّ، رَبِّ اجْعَلْنِي لَكَ شَكَّارًا، لَكَ ذَكَّارًا، لَكَ رَهَّابًا، لَكَ مِطْوَاعًا، إِلَيْكَ مُخْبِتًا أَوَّاهاً مُنِيبًا، رَبِّ تَقَبَّلْ تَوْبَتِي، وَاغْسِلْ حَوْبَتِي، وَأَجِبْ دَعْوَتِي، وَثَبِّتْ حُجَّتِي، وَاهْدِ قَلْبِي، وَسَدِّدْ لِسَانِي، وَاسْلُلْ سَخِيمَةَ قَلْبِي)).

৭৩- "ৰাব্বী আ‘ঈন্নী অলা তু‘ঈন ‘আলাইয়্যা, অনচুৰনী অলা তানচুৰ ‘আলাইয়্যা, অমকুৰ লী, অলা তামকুৰ ‘আলাইয়্যা, অহ্দিনী, অয়াচ্ছিৰিল হুদা ইলাইয়্যা, অনচুৰনী ‘আলা মান বাগা ‘আলাইয়্যা, ৰাব্বিজ‘আলনী লাকা শ্বাক্কা-ৰান, লাকা যাক্কা-ৰান, লাকা ৰাহ্হা-বান, লাকা মিত্বোৱা-আন, ইলাইকা মুখবিতান আওৱা-হান মুনীবান, ৰাব্বী তাক্বাব্বাল্ তাওবাতী, অগ্ছিল্ হাওবাতী,

ৱা-আজিব্ দা'ৱাতী, অছাব্বিত হুজ্জাতী, অহ্দি ক্বাল্বী, অছাদ্দিদ লিছানী, অছলুল্ ছাখীমাতা ক্বাল্বী।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক সহায় কৰা, আৰু মোৰ বিৰুদ্ধে সহায় নকৰিবা। মোক জয়যুক্ত কৰিব সহায় কৰা, আৰু মোৰ বিৰুদ্ধে কাকো জয়ী হোৱাত সহায় নকৰিবা। মোৰ বাবে কৌশল অৱলম্বন কৰা, মোৰ বিৰুদ্ধে নকৰিবা। মোক সঠিক পথ দেখুৱা আৰু মোৰ বাবে সৎপথ সহজ কৰি দিয়া। যিয়ে মোৰ ওপৰত অন্যায় কৰিছে, তাৰ বিৰুদ্ধে মোক সহায় কৰা। হে মোৰ প্ৰতিপালক! মোক এনেকুৱা বনাই দিয়া যাতে মই তোমাৰ অধিক কৃতজ্ঞতা প্ৰকাশকাৰী, তোমাৰ অধিক জিকিৰকাৰী, তোমাক অধিক ভয়কাৰী, তোমাৰ পৰম বাধ্য, তোমাৰ প্ৰতি বিনয়ী, দয়ালু-বিনম্ৰ আৰু তোমাৰ ফালে প্ৰত্যাৱৰ্তনকাৰী হওঁ। হে মোৰ প্ৰতিপালক! মোৰ তাওবা কবুল কৰা, মোৰ গুনাহসমূহ ধুই দিয়া, মোৰ দুআ কবুল কৰা, ঈমান আমলৰ প্ৰমাণৰ ক্ষেত্ৰত মোক ফিৰিস্তাসকলৰ প্ৰশ্নত অটল ৰাখিবা, মোৰ অন্তৰক সঠিক পথৰ ফালে পৰিচালিত কৰা, মোৰ জিভাক সদায় সঠিক পথৰ তাওফীক দিয়া, আৰু মোৰ অন্তৰক হিংসা-বিদ্বেষ আৰু যাৱতীয় দোষ-ত্ৰুটিৰ পৰা আঁতৰাই ৰাখিবা।

74- ((اللَّهُمَّ إِنَّا نَسْأَلُكَ مِنْ خَيْرِ مَا سَأَلَكَ مِنْهُ نَبِيُّكَ مُحَمَّدٌ -صلى الله عليه وسلم- ، وَنَعُوذُ بِكَ مِنْ شَرِّ مَا اسْتَعَاذَ مِنْهُ نَبِيُّكَ مُحَمَّدٌ -صلى الله عليه وسلم- ، وَأَنْتَ الْمُسْتَعَانُ، وَعَلَيْكَ الْبَلَاغُ، وَلَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللَّهِ)).

৭৪- "আল্লা-হুম্মা ইন্না নাছআলুকা মিন খাইৰি মা ছাআলাকা মিনহু নাবিয়্যুকা মুহাম্মাদুন চাল্লাল্লাহু 'আলাইহি অছাল্লাম, ৱা না'উজু বিকা মিন শ্বাৰ্ৰি মাছতা'আ-জা মিনহু নাবিয়্যুকা মুহাম্মাদুন চাল্লাল্লাহু 'আলাইহি অছাল্লাম, ৱা আন্তাল মুছতা'আ-ন, ৱা 'আলাইকাল বালা-গ, অলা হাউলা অলা কুউৱাতা ইল্লা বিল্লাহ।"

অৰ্থঃ হে আল্লাহ! আমি তোমাৰ ওচৰত সেই সকলো কল্যাণ প্ৰাৰ্থনা কৰোঁ যিটো তোমাৰ নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামে তোমাৰ ওচৰত বিচাৰিছিল, আৰু আমি তোমাৰ ওচৰত সেই সকলো অকল্যাণৰ পৰা আশ্ৰয় বিচাৰোঁ, যাৰ পৰা তোমাৰ নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামে আশ্ৰয় বিচাৰিছিল। তুমিয়েই একমাত্ৰ সাহায্যকাৰী, আৰু গন্তব্য স্থানত উপনীত কৰোৱাৰ দায়িত্বও তোমাৰেই। আল্লাহৰ বাহিৰে কাৰো কোনো ক্ষমতা বা শক্তি নাই।

75- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ شَرِّ سَمْعِي، وَمِنْ شَرِّ بَصَرِي، وَمِنْ شَرِّ لِسَانِي، وَمِنْ شَرِّ قَلْبِي، وَمِنْ شَرِّ مَنِيِّي)).

৭৫- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন শ্বাৰ্ৰি ছাম'য়ি, অমিন শ্বাৰ্ৰি বাচাৰী, অমিন শ্বাৰ্ৰি লিছা-নী, অমিন শ্বাৰ্ৰি কালবী, অমিন শ্বাৰ্ৰি মানিয়্যী।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, মোৰ শ্ৰৱণ শক্তিৰ অনিষ্টৰ পৰা, মোৰ দৃষ্টিশক্তিৰ

অনিষ্টৰ পৰা, মোৰ জিভাৰ অনিষ্টৰ পৰা, মোৰ অন্তৰৰ অনিষ্টৰ পৰা, লগতে মোৰ বীৰ্য্যৰ অনিষ্টৰ পৰা।

76- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْبَرَصِ، وَالْجُنُونِ، وَالْجُذَامِ، وَمِنْ سَيِّئِ الأَسْقَامِ)).

৭৬- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল বাৰাচি, অল জুনূনি, অল জুযা-মি, অমিন ছাইয়্যিয়িল আছক্বাম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ শ্বেত ৰোগৰ পৰা, উন্মাদনাৰ পৰা, কুষ্ঠ ৰোগৰ পৰা আৰু সকলো ধৰণৰ দুৰাৰোগ্য ব্যাধিৰ পৰা।

77- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ مُنْكَرَاتِ الْأَخْلَاقِ، وَالْأَعْمَالِ، وَالْأَهْوَاءِ)).

৭৭- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিম মুনকাৰাতিল আখলাক্ব, অল আ'মাল, অল আহৱা।"

অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ নিন্দনীয় চৰিত্ৰৰ পৰা, বেয়া কৰ্ম আৰু প্ৰবৃত্তিৰ বেয়া কামনা-বাসনাৰ পৰা।

78- ((اللَّهُمَّ إِنَّكَ عُفُوٌّ كَرِيمٌ تُحِبُّ الْعَفْوَ فَاعْفُ عَنِّي)).

৭৮- "আল্লা-হুম্মা ইন্নাকা 'আফুওউন কাৰীম, তুহিব্বুল 'আফৱা ফা'ফু 'আন্নী।"

অৰ্থ: হে আল্লাহ! তুমি ক্ষমাশীল অত্যন্ত দয়ালু। তুমি ক্ষমা কৰি ভালপোৱা। গতিকে মোক ক্ষমা কৰা।

79- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ فِعْلَ الْخَيْرَاتِ، وَتَرْكَ الْمُنْكَرَاتِ، وَحُبَّ الْمَسَاكِينِ، وَأَنْ تَغْفِرَ لِي، وَتَرْحَمَنِي، وَإِذَا أَرَدْتَ فِتْنَةَ قَوْمٍ فَتَوَفَّنِي غَيْرَ مَفْتُونٍ، وَأَسْأَلُكَ حُبَّكَ، وَحُبَّ مَنْ يُحِبُّكَ، وَحُبَّ عَمَلٍ يُقَرِّبُنِي إِلَى حُبِّكَ)).

৭৯- ((আল্লা-হুম্মা ইন্নী আছআলুকা ফি'লাল খাইৰাত, অতাৰ্কাল মুনকাৰাত, অহুব্বাল মাছা-কীন, ৱা আন্তাগফিৰালী অতাৰ্হামনী, ৱা ইজা আৰাত্তা ফিতনাতা ক্বাওমিন ফাতাওৱাফ্‌ফানী গাইৰা মাফতুন, ৱা আছআলুকা হুব্বাক, অহুব্বা মান্ য়ুহিব্বুক, অহুব্বা 'আমালিন য়ুকাৰ্ৰিবুনী ইলা হুব্বিক।))

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত বিচাৰোঁ, তুমি মোক সৎকৰ্ম কৰাৰ তাওফীক দিয়া, অসৎকৰ্মৰ পৰা বিৰত ৰখা, লগতে দৰিদ্ৰক মুহাব্বত কৰাৰ তাওফীক দিয়া। লগতে তুমি মোক ক্ষমা কৰা আৰু মোৰ প্ৰতি ৰহম কৰা। যদি তুমি কোনো জাতিক ফিতনাত পতিত কৰিবি বিচৰা, তেন্তে মোক ফিতনাত পতিত নকৰাকৈয়ে মৃত্যু প্ৰদান কৰিবা। মই তোমাৰ মুহাব্বত প্ৰাৰ্থনা কৰোঁ, আৰু সেই ব্যক্তিৰ মুহাব্বত বিচাৰোঁ, যিয়ে তোমাক মুহাব্বত কৰে, লগতে এনেকুৱা আমলৰ তাওফীক বিচাৰোঁ, যাৰ ফলত তোমাৰ মুহাব্বতৰ নৈকট্য লাভ হয়।

80- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنَ الْخَيْرِ كُلِّهِ: عَاجِلِهِ وَآجِلِهِ، مَا عَلِمْتُ مِنْهُ وَمَا لَمْ أَعْلَمْ، وَأَعُوذُ بِكَ مِنَ الشَّرِّ كُلِّهِ عَاجِلِهِ وَآجِلِهِ، مَا عَلِمْتُ مِنْهُ وَمَا لَمْ أَعْلَمْ. اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنْ خَيْرِ مَا سَأَلَكَ عَبْدُكَ وَنَبِيُّكَ، وَأَعُوذُ بِكَ مِنْ شَرِّ [مَا اسْتَعَاذَ بِكَ] [مِنْهُ] عَبْدُكَ وَنَبِيُّكَ. اللَّهُمَّ إِنِّي أَسْأَلُكَ الْجَنَّةَ، وَمَا قَرَّبَ إِلَيْهَا مِنْ قَوْلٍ أَوْ عَمَلٍ، وَأَعُوذُ بِكَ مِنَ النَّارِ وَمَا قَرَّبَ إِلَيْهَا مِنْ قَوْلٍ أَوْ عَمَلٍ، وَأَسْأَلُكَ أَنْ تَجْعَلَ كُلَّ قَضَاءٍ قَضَيْتَهُ لِي خَيْرًا)).

৮০- ((আল্লা-হুম্মা ইন্নি আছআলুকা মিনাল খাইৰি কুল্লিহ, আ'-জিলিহি ওৱা আ-জিলিহ, মা আলিমতু মিনহু অমা লাম আ'লাম। ওৱা আউজুবিকা মিনাশ্ব শ্বাৰ্ৰি

কুল্লিহ আ'-জিলিহি ওৱা আ-জিলিহ, মা আলিমতু মিনহু অমা লাম আ'লাম। আল্লা-হুম্মা ইন্নি আছআলুকা মিন খাইৰি মা ছাআলাকা আব্দুকা অনাবিয়্যুক। ওৱা আউজুবিকা মিন শ্বাৰ্ৰি মাস্তাআ-জা বিকা মিনহু আব্দুকা অনাবিয়্যুক। আল্লা--হুম্মা ইন্নি আছআলুকাল জান্নাহ, অমা ক্বাৰ্ৰাবা ইলাইহা মিন ক্বাউলিন আও আমাল। ওৱা আউজুবিকা মিনান না-ৰ অমা ক্বাৰ্ৰাবা ইলাইহা মিন ক্বাউলিন আও আমাল। ওৱা আছআলুকা আন তাজআলা কুল্লা ক্বাজায়িন ক্বাজাইতাহু লি খাইৰা।))

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত ইহকাল আৰু পৰকালৰ সকলো প্ৰকাৰ কল্যাণ কামনা কৰোঁ, যিটো মই জানো আৰু যিটো মই নাজানো। এইদৰে মই জনা আৰু নজনা ইহকাল আৰু পৰকালৰ সকলো প্ৰকাৰ অনিষ্টৰ পৰাও তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰত্যেক সেই কল্যাণ কামনা কৰোঁ, যিটো তোমাৰ বান্দা তথা নবীয়ে তোমাৰ ওচৰত প্ৰাৰ্থনা কৰিছে। লগতে মই প্ৰত্যেক সেই অনিষ্টৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ, যিটোৰ পৰা তোমাৰ বান্দা তথা নবীয়ে আশ্ৰয় প্ৰাৰ্থনা কৰিছে। হে আল্লাহ! মই তোমাৰ পৰা জান্নাত কামনা কৰোঁ। লগতে প্ৰত্যেক এনেকুৱা কথা আৰু কৰ্মৰ তাওফীক প্ৰাৰ্থনা কৰোঁ, যিয়ে ইয়াৰ নিকটৱৰ্তী কৰি দিয়ে। এইদৰে মই জাহান্নামৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, লগতে

প্ৰত্যেক সেই কথা আৰু কৰ্মৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ যিয়ে ইয়াৰ নিকটৱৰ্তী কৰি দিয়ে। লগতে মই কামনা কৰোঁ, তুমি মোৰ বিষয়ে লোৱা প্ৰতিটো সিদ্ধান্তই যেন মোৰ কাৰণে কল্যাণকৰ হয়।

81- ((اللَّهُمَّ احْفَظنِي بالإِسْلاَمِ قائِماً، واحْفَظْنِي بالإِسْلاَمِ قاعِداً، واحْفَظنِي بالإِسْلاَمِ راقِداً، ولا تُشْمِتْ بِي عَدُوّاً ولا حاسِداً. اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنْ كُلِّ خَيْر خزائِنُهُ بِيَدِكَ، وأعُوذُ بِكَ مِنْ كُلِّ شَرٍّ خَزَائِنُهُ بِيَدِكَ)).

৮১- ((আল্লা-হুম্মাহ্‌ফাজনী বিল্-ইছ্লামে ক্বা-য়িমান, অহ্‌ফাজনী বিল্-ইছ্লামে ক্বা-য়ি'দান, অহ্‌ফাজনী বিল্-ইছ্লামে ৰা-ক্বিদান, অলা তুশ্বমিত্ বী' আদুউৱান অলা হা-ছিদা। আল্লা-হুম্মা ইন্নী আছআলুকা মিন কুল্লি খাইৰিন খাজা-য়িনুহু বিয়াদিক, ৱা আ'উজু বিকা মিন কুল্লি শ্বাৰ্ৰিন খাজা-য়িনুহু বিয়াদিক।))

অৰ্থঃ হে আল্লাহ! তুমি মোক ইছলামৰ মাধ্যমত থিয় হৈ থকা অৱস্থাত ৰক্ষা কৰা, ইছলামৰ মাধ্যমত বহি থকা অৱস্থাত ৰক্ষা কৰা, ইছলামৰ মাধ্যমত শুই থকা অৱস্থাত ৰক্ষা কৰা। লগতে তুমি মোৰ বিৰুদ্ধে কোনো হিংসুক শত্ৰুৰ কথা নুশুনিবা। হে আল্লাহ! নিশ্চয় মই তোমাৰ ওচৰত এনে সকলো কল্যাণ বিচাৰোঁ যাৰ ভঁৰাল তোমাৰ হাতত, আৰু মই তোমাৰ ওচৰত এনে সকলো অনিষ্টৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰোঁ যাৰ ভঁৰাল তোমাৰ হাতত।

82- ((اللَّهُمَّ اقْسِمْ لَنَا مِنْ خَشْيَتِكَ مَا تَحُولُ بِهِ بَيْنَنَا وَبَيْنَ مَعَاصِيكَ، وَمِنْ طَاعَتِكَ مَا تُبَلِّغُنَا بِهِ جَنَّتَكَ، وَمِنَ الْيَقِينِ مَا تُهَوِّنُ بِهِ عَلَيْنَا مَصَائِبَ الدُّنْيَا، اللَّهُمَّ مَتِّعْنَا بِأَسْمَاعِنَا، وَأَبْصَارِنَا، وَقُوَّاتِنَا مَا أَحْيَيْتَنَا، وَاجْعَلْهُ الْوَارِثَ مِنَّا، وَاجْعَلْ ثَأْرَنَا عَلَى

مَنْ ظَلَمَنَا، وَانْصُرْنَا عَلَى مَنْ عَادَانَا، وَلَا تَجْعَلْ مُصِيبَتَنَا فِي دِينِنَا، وَلَا تَجْعَلِ الدُّنْيَا أَكْبَرَ هَمِّنَا، وَلَا مَبْلَغَ عِلْمِنَا، وَلَا تُسَلِّطْ عَلَيْنَا مَنْ لَا يَرْحَمُنَا)).

৮২- ((আল্লা-হুম্মাকছিম লানা মিন খাশ্বয়াতিকা মা তাহূলু বিহী বাইনানা অবাইনা মা'আছীক, অমিন ত্বা'আতিকা মা তুবাল্লিগুনা বিহী জান্নাতাক, অমিনাল য়াক্বীনি মা তুহাওৱিনু বিহী আলাইনা মাচা-য়িবাদ-দুনিয়া, আল্লা-হুম্মা মাত্তি'না বি'আস্মা-'ঈনা, ৱা আ'বচা-ৰিনা, অকুউৱা-তিনা মা আহয়াইতানা, অজআলহুল ৱা-ৰিছা মিন্না, অজআল ছা'ৰানা আলা মান-জ্বালামানা, অনচুৰনা আলা মান-আ'-দা-না, অলা তাজআল মুছীবাতানা ফী দ্বীনিনা, অলা তাজআলিদ-দুনিয়া আকবাৰা হাম্মিনা, অলা মাবলাগা ই'ল্মিনা, অলা তুছাল্লিত আলাইনা মান-লা য়াৰহামুনা।))

অৰ্থঃ হে আল্লাহ! তুমি তোমাৰ ভয়-ভীতি আমাৰ মাজত এনেকৈ বণ্টন কৰি দিয়া যাৰ দ্বাৰা তুমি আমাৰ আৰু তোমাৰ অবাধ্যতাৰ মাজত বাধা সৃষ্টি কৰিবা। লগতে আমাৰ মাজত তোমাৰ আনুগত্য ইমান পৰিমাণ প্ৰদান কৰা যাৰ দ্বাৰা তুমি আমাক তোমাৰ জান্নাতত পৌঁচাই দিবা। লগতে তুমি আমাৰ মাজত ইমানখিনি য়াক্বীন দান কৰা, যাৰ দ্বাৰা তুমি আমাৰ বাবে পৃথিৱীৰ সকলো বিপদ-আপদ সহজসাধ্য কৰি দিবা। হে আল্লাহ! তুমি আমাক যিমান দিন জীৱিত ৰাখিবা, সিমান দিনলৈকে আমাক আমাৰ শ্ৰৱণশক্তি, দৃষ্টিশক্তি, লগতে আমাৰ শক্তি-সামৰ্থৰ দ্বাৰা উপকৃত হোৱাৰ তাওফীক দান কৰা।

আনকি এইবোৰক আমাৰ উত্তৰাধিকাৰী সম্পদ বনাই দিয়া। যিয়ে আমাৰ প্ৰতি অন্যায় কৰিছে, তাৰ প্ৰতি আমাৰ প্ৰতিশোধ সুনিৰ্ধাৰিত কৰি দিয়া। যিয়ে আমাৰ প্ৰতি শত্ৰুতা পোষণ কৰে, তাৰ বিৰুদ্ধে আমাক সহায় কৰা। ধৰ্ম পালনত তুমি আমাক বিপদাক্ৰান্ত নকৰিবা। দুনিয়া অৰ্জনক আমাৰ বাবে মূল উদ্দেশ্য নকৰিবা আৰু জ্ঞানৰ শেষ আহিলাও নবনাবা। এইদৰে আমাৰ ওপৰত এনেকুৱা ব্যক্তিকো আধিপত্য নিদিবা, যিয়ে দয়া নকৰে।

83- ((اللَّهُمَّ إِنِّي أَعوذُ بِكَ مِنَ الجُبْنِ، وَأَعُوذُ بِكَ مِنَ البُخْلِ، وَأَعُوذُ بِكَ مِنْ أَنْ أُرَدَّ إِلَى أَرْذَلِ العُمُرِ، وَأَعُوذُ بِكَ مِنْ فِتْنَةِ الدُّنْيَا وَعَذَابِ القَبْرِ)).

৮৩- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনা'ল-জুবনি, ৱা আ'উজু বিকা মিনা'ল-বুখলি, ৱা আ'উজু বিকা মিন আন উৰাদ্দা ইলা আৰজালিল উমুৰ, ৱা আ'উজু বিকা মিন ফিতনাতিদ্-দুনিয়া ৱা আ'জা-বিল ক্বাব্ৰ।"

অৰ্থঃ হে আল্লাহ! মই কাপুৰুষত্বৰ পৰা, আৰু কৃপণতাৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। লগতে মই বাৰ্ধক্য অৱস্থাৰ অসহায়ত্বৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ, এইদৰে পৃথিৱীৰ ফিতনা আৰু কবৰৰ শাস্তিৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ।

84- ((اللَّهُمَّ اغْفِرْ لِي خَطِيئَتِي، وَجَهْلِي، وَإِسْرَافِي فِي أَمْرِي، وَمَا أَنْتَ أَعْلَمُ بِهِ مِنِّي، اللَّهُمَّ اغْفِرْ لِي هَزْلِي، وَجِدِّي، وَخَطَئِي، وَعَمْدِي، وَكُلُّ ذَلِكَ عِنْدِي)).

৮৪- "আল্লা-হুম্মাগ্‌ফিৰলী খাত্বীআতি, অজাহলী, ৱা ইছ্ৰাফী ফী আম্ৰী, অমা আন্তা আ'লামু বিহী মিন্নী,

আল্লা-হুম্মাগ্‌ফিৰলী হাঝলী, অজিদ্দী, অখাতায়ি, ৱা আম্‌দী, অকুল্লু জা-লিকা ঈন্দী।"

অৰ্থঃ হে আল্লাহ! মোৰ পাপসমূহ, মোৰ অজ্ঞতা, আৰু প্ৰতিটো ক্ষেত্ৰতে হোৱা মোৰ সীমালংঘন ক্ষমা কৰি দিয়া; যিবোৰৰ বিষয়ে মোতকৈ তুমিহে অধিক জ্ঞাত। হে আল্লাহ! গুৰুত্ব সহকাৰে কৰা, আৰু হাঁহি ধেমালি লগতে জানি বুজি কৰা মোৰ সকলো গুনাহ তুমি ক্ষমা কৰি দিয়া, এই সকলোবোৰ মই নিজৰ ফালৰ পৰা কৰিছোঁ।

85- ((اللَّهُمَّ إِنِّي ظَلَمْتُ نَفْسِي ظُلْمًا كَثِيرًا، وَلَا يَغْفِرُ الذُّنُوبَ إِلَّا أَنْتَ. فَاغْفِرْ لِي مَغْفِرَةً مِنْ عِنْدِكَ، وَارْحَمْنِي إِنَّكَ أَنْتَ الْغَفُورُ الرَّحِيمُ)).

৮৫- “আল্লা-হুম্মা ইন্নি জালামতু নাফছি জুলমান কাছীৰা, অলা য়াগফিৰুজ জুনূবা ইল্লা আন্তা। ফাগফিৰলী মাগফিৰাতাম মিন ইন্দিক, অৰহাম্নী ইন্নাকা আন্তাল গাফুৰুৰ ৰাহীম।”

অৰ্থঃ “হে আল্লাহ! মই মোৰ নিজৰ ওপৰত বহুত অন্যায় কৰিছোঁ, আৰু তুমি বিনে কোনেও গুনাহসমূহ ক্ষমা কৰিব নোৱাৰে। এতেকে তুমি তোমাৰ ক্ষমাকাৰী গুণেৰে মোক মাৰ্জনা কৰা আৰু মোৰ প্ৰতি ৰহম কৰা। নিশ্চয় তুমি মাৰ্জনাকাৰী অতি দয়ালু”।

86- ((اللَّهُمَّ لَكَ أَسْلَمْتُ، وَبِكَ آمَنْتُ، وَعَلَيْكَ تَوَكَّلْتُ، وَإِلَيْكَ أَنَبْتُ، وَبِكَ خَاصَمْتُ. اللَّهُمَّ إِنِّي أَعُوذُ بِعِزَّتِكَ لَا إِلَهَ إِلَّا أَنْتَ أَنْ تُضِلَّنِي، أَنْتَ الْحَيُّ الَّذِي لَا يَمُوتُ، وَالْجِنُّ وَالْإِنْسُ يَمُوتُونَ)).

৮৬- ((আল্লা-হুম্মা লাকা আছলামতু, অবিকা আ-মানতু, ওৱা আলাইকা তাৱাক্কালতু, অ ইলাইকা আনাবতু, অবিকা খা-চামতু, আল্লা-হুম্মা ইন্নি আউজু বিইঝ্‌ঝাতিক, লা ইলা-হা ইল্লা আন্তা আন তুজিল্লানী, আন্তাল হাইয়্যুল লাজী লা য়ামূত, অলজিন্নু অল ইনছু য়ামূতূন।))

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰতে আত্মসমৰ্পণ কৰিছোঁ। তোমাৰ ওপৰতে ঈমান আনিছোঁ আৰু তোমাৰ ওপৰতে ভৰসা কৰিছোঁ। তোমাৰ ওচৰলৈকেই মই উভতি আহিছোঁ। মই তোমাৰ বাবেই শত্ৰুৰ সৈতে মোকাবিলা কৰিছোঁ। হে আল্লাহ! মই তোমাৰ সন্মানৰ অছিলাৰে তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। হিদায়তৰ পৰা আৰু তোমাৰ সন্তুষ্টি লাভৰ তাওফীকৰ পৰা তুমি মোক পথভ্ৰষ্ট নকৰিবা। তুমিয়ে চিৰঞ্জীৱ, যাৰ কোনো মৃত্যু নাই। পক্ষান্তৰে জিন আৰু মানৱ সকলোৱে মৃত্যুবৰণ কৰিব।

87- ((اللَّهُمَّ إِنَّا نَسْأَلُكَ مُوجِباتِ رَحْمَتِكَ، وَعَزائِمَ مَغْفِرَتِكَ، والسَّلامَةَ مِنْ كُلِّ إِثْمٍ، والغَنِيمَةَ مِنْ كُلِّ بِرٍّ، والفَوْزَ بالجَنَّةِ، والنَّجاةَ مِنَ النَّارِ)).

৮৭- "আল্লা-হুম্মা ইন্না নাছ্‌আলুকা মূ-জিবা-তি ৰাহ্‌মাতিক, ৱা আঝা-য়িমা মাগ্‌ফিৰাতিক, অচ্ছালা-মাতা মিন্‌ কুল্লি ইছ্‌মিন্‌, অল গানীমাতা মিন্‌ কুল্লি বিৰ্ৰিন, অল ফাওঝা বিল্‌ জান্নাহ, অন্‌ নাজা-তা মিনান্‌ না-ৰ।"

অৰ্থঃ হে আল্লাহ! আমি তোমাৰ ওচৰত সেইবোৰ বস্তু প্ৰাৰ্থনা কৰোঁ যিবোৰৰ দ্বাৰা তোমাৰ ৰহমত লাভ কৰাটো অনিবাৰ্য্য হৈ পৰে। তোমাৰ মাগফিৰাতমূলক সিদ্ধান্ত প্ৰাৰ্থনা কৰোঁ, প্ৰতিটো গুনাহৰ পৰা সুৰক্ষা বিচাৰোঁ, প্ৰতিটো নেক কৰ্মৰ তাওফীক কামনা কৰোঁ, জান্নাত অৰ্জনৰ সফলতা আৰু জাহান্নামৰ পৰা মুক্তি বিচাৰোঁ।

88- ((اللَّهُمَّ اغْفِرْ لِلْمُؤْمِنِينَ وَالْمُؤْمِنَاتِ)).

৮৮- ((আল্লা-হুম্মাগফিৰ লিল্‌মু'মিনীনা অলমু'মিনাত।))

অৰ্থঃ হে আল্লাহ! তুমি সকলো মুমিন পুৰুষ আৰু মুমিনা নাৰীক ক্ষমা কৰি দিয়া।

89- ((اللَّهُمَّ اغْفِرْ لِي ذَنْبِي، وَوَسِّعْ لِي فِي دَارِي، وَبَارِكْ لِي فِيمَا رَزَقْتَنِي)).

৮৯- "আল্লা-হুম্মাগফিৰ লী জাম্বী, অৱাচ্ছি লী ফী দাৰী, অবা-ৰিক লী ফীমা ৰাঝাকতানী।"

অৰ্থঃ হে আল্লাহ! তুমি মোৰ গুণাহসমূহ ক্ষমা কৰি দিয়া, মোৰ ঘৰখনত প্ৰশস্ততা দান কৰা, আৰু তুমি মোক যি জীৱিকা প্ৰদান কৰিছা তাত বৰকত দান কৰা।

90- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنْ فَضْلِكَ وَرَحْمَتِكَ؛ فَإِنَّهُ لاَ يَمْلِكُهَا إِلاَّ أَنْتَ)).

৯০- "আল্লা-হুম্মা ইন্নী আছআলুকা মিন ফাজলিকা অৰাহমাতিক, ফা ইন্নাহু লা য়ামলিকুহা ইল্লা আন্ত।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ আৰু দয়া প্ৰাৰ্থনা কৰোঁ, কাৰণ একমাত্ৰ তুমিয়ে ইয়াৰ গৰাকী।

91- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الهَرَمِ، وَالتَّرَدِّي، وَالْهَدْمِ، وَالْغَمِّ، وَالْغَرَقِ، وَالْحَرَقِ، وَأَعُوذُ بِكَ أَنْ يَتَخَبَّطَنِيَ الشَّيْطَانُ عِنْدَ الْمَوْتِ، وَأَعُوذُ بِكَ أَنْ أَمُوتَ فِي سَبِيلِكَ مُدْبِرًا، وَأَعُوذُ بِكَ أَنْ أَمُوتَ لَدِيغًا)).

৯১- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল-হাৰামি, অত-তাৰাদ্দী, অল-হাদমি, অল-গাম্মি, অল-গাৰাকি, অল-হাৰাকি, ৱা আ'উজু বিকা আঁয়্যাতাখাব্বাতানিয়াশ্ব শ্বাইত্বা-নু 'ইন্দাল মাওত, ৱা আ'উজু বিকা আন্ আমূতা ফী ছাবীলিকা মুদবিৰান, ৱা আ'উজু বিকা আন্ আমূতা লাদীগা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ বৃদ্ধ অৱস্থাৰ পৰা, ভূমিস্খলিত হৈ মৃত্যুৰ পৰা, কোনো বস্তুৰ তলত পৰি মৰাৰ পৰা, দুখ-চিন্তাৰ পৰা, পানীত ডুবি মৰাৰ পৰা, আৰু জুইত জ্বলি মৰাৰ পৰা। লগতে মই তোমাৰ আশ্ৰয় বিচাৰোঁ মৃত্যুৰ সময়ত চয়ত্বানৰ প্ৰভাৱৰ পৰা। লগতে মই তোমাৰ আশ্ৰয় বিচাৰোঁ জিহাদৰ পৰা পলায়নৰত অৱস্থাত হোৱা মৃত্যুৰ পৰা। এইদৰে মই তোমাৰ আশ্ৰয় বিচাৰোঁ, যাতে বিষাক্ত প্ৰাণীৰ দংশনত মই মৃত্যুবৰণ নকৰোঁ।

92- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْجُوعِ؛ فَإِنَّهُ بِئْسَ الضَّجِيعُ، وَأَعُوذُ بِكَ مِنَ الْخِيَانَةِ؛ فَإِنَّهَا بِئْسَتِ الْبِطَانَةُ)).

৯২- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল জু'ঈ, ফা ইন্নাহু বি'ছাছ জাযীয়ু, ৱা আ'উজু বিকা মিনাল খিয়ানাহ, ফা ইন্নাহা বি'ছাতিল বিতা-নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত দুৰ্ভিক্ষ তথা ভোকৰ তাড়নাৰ পৰা আশ্ৰয় বিচাৰোঁ, কাৰণ এইটো হৈছে অত্যন্ত নিকৃষ্ট শয্যাসংগী। লগতে মই তোমাৰ আশ্ৰয় বিচাৰোঁ বিশ্বাসঘাতকতাৰ পৰা, কাৰণ ই হৈছে নিকৃষ্ট সহচৰ।

93- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ العَجْزِ، والكَسَلِ، والجُبْنِ، والبُخْلِ، والهَرَمِ، والقَسْوَةِ، والغَفْلَةِ، والعَيْلَةِ، والذِّلَّةِ، والمَسْكَنَةِ، وأَعُوذُ بِكَ مِنَ الفَقْرِ، والكُفْرِ، والفُسُوقِ، والشِّقاقِ، والنِّفاقِ، والسُّمْعَةِ، والرِّياءِ، وأَعُوذُ بِكَ مِنَ الصَّمَمِ، والبَكَمِ، والجُنُونِ، والجُذامِ، والبَرَصِ، وَسَيِّيءِ الأَسْقامِ)).

৯৩- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল আজঝি, অল কাছালি, অল জুবনি, অল বুখলি, অল হাৰামি, অল কাছৱাতি, অল গাফলাতি, অল আইলাতি, অজ্-জিল্লাতি, অল মাস্কানাতি। ৱা আ'উজু বিকা মিনাল ফাক্ৰ, অল কুফ্ৰ, অল ফুছূক, অশ্ব-শ্বিকাক, অন-নিফাক, অছ-ছুম'আহ, অৰ্-ৰিয়া', ৱা আ'উজু বিকা মিনাচ-চামাম, অল বাকাম, অল জুনূন, অল জুযাম, অল বাৰাচ, অছাইয়্যিইল আছক্বাম।"

অৰ্থঃ হে আল্লাহ! মই অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা, বাৰ্ধক্যৰ পৰা, কঠোৰতাৰ পৰা, অমনোযোগিতাৰ পৰা, দীনতাৰ পৰা, অপমানৰ পৰা, আৰু অভাৱগ্ৰস্ত আদিৰ পৰা তোমাৰ

ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। লগতে মই দৰিদ্ৰতাৰ পৰা, কুফৰৰ পৰা, পাপকৰ্মৰ পৰা, বিচ্ছিন্নতাৰ পৰা, নিফাকৰ পৰা, খ্যাতিপ্ৰিয়তাৰ পৰা, দম্ভ আদিৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। এইদৰে মই তোমাৰ আৰু আশ্ৰয় বিচাৰোঁ বধিৰতাৰ পৰা, মূক বধিৰ হোৱাৰ পৰা, উন্মাদনাৰ পৰা, কুষ্ঠ ৰোগৰ পৰা, শ্বেত ৰোগৰ পৰা আৰু সকলো প্ৰকাৰ বেয়া ৰোগৰ পৰা।

94- ((اللّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْفَقْرِ، و[الفَاقَةِ]، وَالْقِلَّةِ، وَالذِّلَّةِ، وَأَعُوذُ بِكَ مِنْ أَنْ أَظْلِمَ أو أُظْلَمَ)).

৯৪- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল ফাক্ৰ, [অল ফা-কাতি], অল কিল্লাতি, অজ্-জিল্লাতি, ৱা আ'উজু বিকা মিন্ আন্ আজলিমা আও উজলাম।"

অৰ্থঃ হে আল্লাহ! মই দৰিদ্ৰতাৰ পৰা, [অভাৱৰ] পৰা, স্বল্পতাৰ পৰা আৰু অপমানৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ। লগতে মই ইয়াৰ পৰাও তোমাৰ আশ্ৰয় বিচাৰোঁ যে, যাতে মই আনৰ প্ৰতি অন্যায় নকৰোঁ অথবা নিজেও যেন অন্যায়ৰ চিকাৰ নহওঁ।"

95- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ جَارِ السُّوءِ فِي دَارِ الْمُقَامَةِ؛ فَإِنَّ جَارَ الْبَادِيَةِ يَتَحَوَّلُ)).

৯৫- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন জা-ৰিছ-ছূ', ফী দাৰিল মুক্বামাহ; ফা ইন্না জা-ৰাল বা-দিয়াতি য়াতাহাওৱাল।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ স্থায়ী বাসস্থানৰ বেয়া প্ৰতিবেশীৰ পৰা, কাৰণ মৰু অঞ্চলৰ প্ৰতিৱেশী সঘনাই পৰিবৰ্তন হয়।

96- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ قَلْبٍ لاَ يَخْشَعُ، ومِنْ ◌َدُعَاءٍ لاَ يُسْمَعُ، وَمِنْ نَفْسٍ لاَ تَشْبَعُ، وَمِنْ عِلْمٍ لاَ يَنْفَعُ، أَعُوذُ بِكَ مِنْ هَؤُلاَءِ الأَرْبَعِ)).

৯৬- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন ক্বালবিল্ লা য়াখ্‌শ্বা', অমিন দুআয়িন লা য়ুছমা', অমিন নাফ্‌ছিন লা তাশ্বা', অমিন ইল্‌মিল্ লা য়ান্‌ফা', আ'উজু বিকা মিন্ হা-উলাঈল আৰ্‌বা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ, এনেকুৱা অন্তৰৰ পৰা যিটো তোমাৰ ভয়ত কম্পিত নহয়, এনেকুৱা দুআৰ পৰা যিটো কবূল কৰা নহয়, এনেকুৱা নফছৰ পৰা যিটো কেতিয়াও তৃপ্ত নহয়, আৰু এনেকুৱা জ্ঞানৰ পৰা, যিটো কোনো উপকাৰ নকৰে। মই এই চাৰিওটা বস্তুৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ।

97- ((اللَّهُمَّ إنّي أعُوذُ بِكَ مِنْ يَوْمِ السُّوءِ، وَمِنْ لَيْلَةِ السُّوءِ، وَمِنْ سَاعَةِ السُّوءِ، وَمِنْ صَاحِبِ السُّوءِ، وَمِنْ جَارِ السُّوءِ في دَارِ الْمُقامَةِ)).

৯৭- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিন য়াওমিছ-ছূ', অমিন লাইলাতিছ-ছূ', অমিন ছা-আতিছ-ছূ', অমিন চা-হিবিছ-ছূ', অমিন জা-'ৰিছ-ছু' ফী দা-ৰিল মুক্বামা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ বেয়া দিৱসৰ পৰা, বেয়া ৰাতিৰ পৰা, বেয়া মুহূৰ্তৰ পৰা, বেয়া

সংগীৰ পৰা, আৰু স্থায়ী বাসস্থানত বেয়া প্ৰতিৱেশীৰ পৰা।

98- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ الْجَنَّةَ وَأَسْتَجِيْرُ بِكَ مِنَ النَّارِ)) (ثَلَاثَ مَرَّاتٍ).

৯৮- "আল্লা-হুম্মা ইন্নী আছআলুকাল জান্নাতা ৱা আস্তাজীৰু বিকা মিনান্না-ৰ" (তিনিবাৰ)।

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰোঁ আৰু জাহান্নামৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।

99- ((اللَّهُمَّ فَقِّهْنِي فِي الدِّينِ)).

৯৯- "আল্লা-হুম্মা ফাক্কিহনী ফিদ্দীন।"

অৰ্থঃ হে আল্লাহ! মোক দ্বীনৰ বোধশক্তি দান কৰা।

100- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ أَنْ أُشْرِكَ بِكَ وَأَنَا أَعْلَمُ، وَأَسْتَغْفِرُكَ لِمَا لاَ أَعْلَمُ)).

১০০- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা আন্ উশ্ৰিকা বিকা ৱা আনা আ'লাম, ৱা আস্তাগফিৰুকা লিমা লা আ'লাম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ যে, মই যাতে জানি বুজি তোমাৰ সৈতে আন কাকো অংশীদাৰ স্থাপন নকৰোঁ, লগতে মই সেই সকলো গুনাহৰ পৰা ক্ষমা বিচাৰোঁ যিবোৰৰ বিষয়ে মই জ্ঞাত নহয়।

101- ((اللَّهُمَّ انْفَعْنِي بِمَا عَلَّمْتَنِي، وَعَلِّمْنِي مَا يَنْفَعُنِي، وَزِدْنِي عِلْمًا)).

১০১- ((আল্লা-হুম্মান্ ফা'নী বিমা আল্লামতানী, ৱা আল্লিমনী মা য়ান্ফাউনী, অঝিদ্নী ইল্মা।))

অৰ্থঃ হে আল্লাহ! তুমি মোক যি শিক্ষা দিছা, তাৰ দ্বাৰা উপকৃত হোৱাৰ তাওফীক দান কৰা, আৰু মোক এনেকুৱা শিক্ষা দিয়া যিটো মোৰ বাবে উপকাৰী, লগতে মোৰ জ্ঞান বৃদ্ধি কৰি দিয়া।

102- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ عِلْمًا نَافِعًا، وَرِزْقًا طَيِّبًا، وَعَمَلًا مُتَقَبَّلًا)).

১০২- "আল্লা-হুম্মা ইন্নী আছআলুকা ইল্মান নাফিআ, অৰিঝক্বান ত্বাইয়্যিবা, ৱা আমালান মুতাক্বাব্বালা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত উপকাৰী জ্ঞান, পৱিত্ৰ জীৱিকা আৰু গ্ৰহণযোগ্য আমলৰ তাওফীক বিচাৰোঁ।

103- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ يَا أَللَّهُ بِأَنَّكَ الْوَاحِدُ الأَحَدُ، الصَّمَدُ، الَّذِي لَمْ يَلِدْ وَلَمْ يُولَدْ، وَلَمْ يَكُنْ لَهُ كُفُوًا أَحَدٌ، أَنْ تَغْفِرَ لِي ذُنُوبِي، إِنَّكَ أَنْتَ الْغَفُورُ الرَّحِيمُ)).

১০৩- "আল্লা-হুম্মা ইন্নী আছআলুকা য়া-আল্লাহ, বিআন্নাকাল-ৱা-হিদুল আহাদুছ-চামাদ, আল্লাজী লাম য়ালিদ অলাম ইউলাদ, অলাম য়াকুল লাহু কুফুৱান আহাদ; আন তাগফিৰা লী জুনূবী, ইন্নাকা আন্তাল গাফূৰূৰ ৰাহীম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰতেই প্ৰাৰ্থনা কৰোঁ, কাৰণ একমাত্ৰ তু‌ুমিয়ে একক অদ্বিতীয়, তুমিয়ে সেই সত্ত্বা যিজন কাৰো মুখাপেক্ষী নহয়। তেওঁ কাকো জন্ম দিয়া নাই, আৰু নিজেও কাৰো পৰা জন্ম লোৱা নাই। তেওঁৰ সমকক্ষ কোনো নাই। হে আল্লাহ! তুমি মোৰ

গুনাহসমূহ ক্ষমা কৰি দিয়া, নিশ্চয় তুমি ক্ষমাশীল অত্যন্ত দয়ালু।

104- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ بِأَنَّ لَكَ الْحَمْدَ، لاَ إِلَهَ إِلاَّ أَنْتَ [وَحْدَكَ لاَ شَرِيكَ لَكَ] الْمَنَّانُ [يَا] بَدِيعَ السَّمَوَاتِ وَالأَرْضِ، يَا ذَا الْجَلالِ وَالإِكْرَامِ، يَا حَيُّ يَا قَيُّومُ، إِنِّي أَسْأَلُكَ [الْجَنَّةَ وَأَعُوذُ بِكَ مِنَ النَّارِ])).

১০৪- "আল্লা-হুম্মা ইন্নী আছআলুকা বিআন্না লাকাল হাম্‌দ, লা ইলাহা ইল্লা আন্তা, অহদাকা লা শ্বাৰীকা লাকাল মান্না-ন, য়া বাদী'আচ্ছামাৱা-তি অল আৰ্জ, য়া জাল জালা-লি অল ইকৰাম, য়া হাইয়্যু য়া কাইয়্যুম; ইন্নী আছআলুকাল জান্নাহ, ৱা আউজুবিকা মিনান্না-ৰ।"

অৰ্থঃ হে আল্লাহ! মই একমাত্ৰ তোমাৰ ওচৰতেই প্ৰাৰ্থনা কৰোঁ। নিশ্চয় সকলো প্ৰশংসা তোমাৰেই, তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তুমি একক তথা অদ্বিতীয়, তোমাৰ কোনো অংশীদাৰ নাই। তুমিয়ে মহা অনুগ্ৰহশীল। হে আকাশমণ্ডল আৰু পৃথিৱীৰ অনন্য সৃষ্টিকৰ্তা! হে মহিমাময় আৰু মহা মৰ্যাদাৰ অধিকাৰী! হে চিৰঞ্জীৱ, সৰ্বসত্ত্বাৰ ধাৰক! মই তোমাৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰোঁ আৰু জাহান্নামৰ পৰা আশ্ৰয় বিচাৰোঁ।

105- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ بِأَنِّي أَشْهَدُ أَنَّكَ أَنْتَ اللهُ لاَ إِلَهَ إِلاَّ أَنْتَ، الأَحَدُ، الصَّمَدُ، الَّذِي لَمْ يَلِدْ، وَلَمْ يُولَدْ، وَلَمْ يَكُنْ لَهُ كُفُوًا أَحَدٌ)).

১০৫- "আল্লা-হুম্মা ইন্নী আছআলুকা বিআন্নী আশ্বহাদু আন্নাকা আন্তাল্লাহ, লা ইলাহা ইল্লা আন্তা, আল আহাদ, আচ-ছামাদ, আল্লাজী লাম য়ালিদ, অলাম ইউলাদ, অলাম য়াকুল লাহূ কুফুৱান আহাদ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰেই ওচৰত প্ৰাৰ্থনা কৰোঁ, কাৰণ মই সাক্ষ্য দিওঁ যে, তুমিয়েই আল্লাহ, যাৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। তুমি একক, অমুখাপেক্ষী, যিয়ে কাকো জন্মও দিয়া নাই, নিজেও কাৰো পৰা জন্ম লোৱা নাই। তেওঁৰ সমকক্ষ কোনো নাই।

106- ((رَبِّ اغْفِرْ لِي، وَتُبْ عَلَيَّ، إِنَّكَ أَنْتَ التَّوَّابُ الْغَفُورُ)).

১০৬- ((ৰাব্বিগ্‌ফিৰ্ লী, অতুব্ 'আলাইয়্যা, ইন্নাকা আন্তাত্-তাওৱাবুল-গাফূৰ)).

অৰ্থ: হে মোৰ প্ৰতিপালক! মোক ক্ষমা কৰি দিয়া আৰু মোৰ তাওবা কবূল কৰা; নিশ্চয় তুমি তাওবা কবূলকাৰী, মহা ক্ষমাশীল।

107- ((اللَّهُمَّ بِعِلْمِكَ الْغَيْبَ، وَقُدْرَتِكَ عَلَى الْخَلْقِ، أَحْيِنِي مَا عَلِمْتَ الْحَيَاةَ خَيْرًا لِي، وَتَوَفَّنِي إِذَا عَلِمْتَ الْوَفَاةَ خَيْرًا لِي، اللَّهُمَّ إِنِّي أَسْأَلُكَ خَشْيَتَكَ فِي الْغَيْبِ وَالشَّهَادَةِ، وَأَسْأَلُكَ كَلِمَةَ الْحَقِّ فِي الرِّضَا وَالْغَضَبِ، وَأَسْأَلُكَ الْقَصْدَ فِي الْغِنَى وَالْفَقْرِ، وَأَسْأَلُكَ نَعِيماً لاَ يَنْفَدُ، وأَسْأَلُكَ قُرَّةَ عَيْنٍ لاَ تَنْقَطِعُ، وَأَسْأَلُكَ الرِّضَا بَعْدَ الْقَضَاءِ، وَأَسْأَلُكَ بَرْدَ الْعَيْشِ بَعْدَ الْمَوْتِ، وَأَسْأَلُكَ لَذَّةَ النَّظَرِ إِلَى وَجْهِكَ، وَالشَّوْقَ إِلَى لِقَائِكَ، فِي غَيْرِ ضَرَّاءَ مُضِرَّةٍ، وَلاَ فِتْنَةٍ مُضِلَّةٍ، اللَّهُمَّ زَيِّنَّا بِزِينَةِ الإِيمَانِ، وَاجْعَلْنَا هُدَاةً مُهْتَدِينَ)).

১০৭- "আল্লা-হুম্মা বিইল্মিকাল-গাইবা, অকুদ্ৰাতিকা 'আলাল-খাল্ক, আহ্য়িনি মা 'আলিমতাল-হায়া'তা খাইৰান-লী, অতাৱাফ্‌ফানী ইজা 'আলিমতাল অফাতা খাইৰান-লী, আল্লা-হুম্মা ইন্নী আছআলুকা খাশ্বয়াতাকা ফিল-গাইবি অশ্ব-শ্বাহাদা, ৱা আছআলুকা কালিমাতাল-হাক্কি ফিৰ-ৰিজা অল-গাজাব, ৱা আছআলুকাল-কাচদা

ফিল-গিনা অল-ফাক্ৰ, ৱা আছ্আলুকা নায়ীমান লা য়ানফাদ, ৱা আছ্আলুকা কুৰ্ৰাতা 'আঈনিল লা তানক্বাতি', ৱা আছ্আলুকাৰ-ৰিজা বা'দাল-ক্বাজা, ৱা আছ্আলুকা বাৰ্দাল-'আঈশ্বি বা'দাল-মাওত, ৱা আছ্আলুকা লাজ্জাতান্-নাজৰি ইলা অজহিক, অশ্ব-শ্বাওক্বা ইলা লিক্বা ইক, ফী গাইৰি জাৰ্ৰা-আ মুজিৰ্ৰাহ, অলা ফিতনাতিন্ মুজিল্লাহ, আল্লা-হুম্মা ঝাইয়্যিন্না বিঝীনাতিল-ঈমান, অজ্আ'লনা হুদা-তাম মুহতাদীন।"

অৰ্থঃ হে আল্লাহ! তোমাৰ অদৃশ্য জ্ঞান আৰু সৃষ্টিৰ ওপৰত থকা তোমাৰ ক্ষমতাৰ অছিলাৰে দুআ কৰোঁ, হে আল্লাহ! যদি জীৱিত থকাটো মোৰ বাবে কল্যাণকৰ হয় তেন্তে মোক জীৱিত ৰাখা, আৰু যদি মৃত্যু হোৱাটো মোৰ বাবে কল্যাণকৰ হয় তেন্তে মোক মৃত্যু দান কৰা। হে আল্লাহ! মই প্ৰকাশ্যে আৰু গোপনে তোমাক ভয় কৰাৰ তাওফীক বিচাৰোঁ, মই সন্তোষত আৰু খঙত সঁচা কথা কোৱাৰ তাওফীক বিচাৰোঁ; আৰু ধনী আৰু দাৰিদ্ৰ্যতাৰ মাজত থকা মধ্যপন্থা অৱলম্বন কৰি জীৱন যাপন কৰিব বিচাৰোঁ; লগতে মই তোমাৰ ওচৰত এনেকুৱা নিআ'মত বিচাৰোঁ যিটো কেতিয়াও শেষ নহয়; আৰু মই তোমাৰ ওচৰত এনেকুৱা চকু শীতলকাৰী বস্তু বিচাৰোঁ যিটো কেতিয়াও বিচ্ছিন্ন নহয়; আৰু ফয়চালাৰ পিছত তোমাৰ সন্তুষ্টি বিচাৰোঁ; আৰু মৃত্যুৰ পাছত শান্তিপূৰ্ণ জীৱন বিচাৰোঁ; আৰু মই তোমাৰ মুখমণ্ডলৰ প্ৰতি চাই থকাৰ সুখ বিচাৰোঁ, আৰু তোমাৰ সাক্ষাতৰ এই চাহিদাক

কোনো ক্ষতিকৰ বিপদে অথবা কোনো বিভ্ৰান্তকাৰী ফিতনাই যেন বিনষ্ট কৰিব নোৱাৰে। হে আল্লাহ! আমাক ঈমানৰ সৌন্দৰ্য্যৰে সুশোভিত কৰা, আৰু আমাক হিদায়তকাৰী আৰু হিদায়তপ্ৰাপ্ত বনাই দিয়া।"

108- ((اللَّهُمَّ ارزُقني حُبَّكَ، وحُبَّ مَنْ يَنْفَعُني حُبُّهُ عندَك، اللَّهُمَّ مَا رَزَقْتَني مِمَّا أُحِبُّ فَاجْعَلْهُ قُوَّةً لِي فِيمَا تُحِبُّ، اللَّهُمَ مَا زَوَيْتَ عَنِّي مِمَّا أُحِبُّ فَاجْعَلْهُ فَرَاغاً لِي فِيمَا تُحِبُّ)).

১০৮- "আল্লা-হুম্মাৰ ঝুক্‌নী হুব্বাক, অহুব্বা মাঁইয়ানফাঊনী হুব্বুহু ইন্দাক, আল্লা-হুম্মা মা ৰাঝাক্‌তানী মিম্মা উহিব্বু ফাজআলহু কুউৱাতান লী ফীমা তুহিব্বু, আল্লা-হুম্মা অমা ঝাৱাইতা আন্নী মিম্মা উহিব্বু ফাজআলহু ফাৰা-গান লী ফীমা তুহিব্ব।"

অৰ্থঃ হে আল্লাহ! মোক তোমাৰ মুহাব্বত দান কৰা, আৰু সেই ব্যক্তিৰ মুহাব্বত দান কৰা, যাৰ মুহাব্বতে তোমাৰ ওচৰত মোক উপকৃত কৰিব। হে আল্লাহ! তুমি মোক মোৰ যিবোৰ প্ৰিয় বস্তু দান কৰিছা, সেইবোৰক তুমি তোমাৰ প্ৰিয় বস্তু অৰ্জনৰ বাবে মোৰ বাবে শক্তিৰ উৎস বনাই দিয়া। হে আল্লাহ! তুমি মোৰ যিবোৰ প্ৰিয় বস্তু মোৰ পৰা আঁতৰাই ৰাখিছা, সেইবোৰৰ বিনিময়ত তুমি যিটো ভালপোৱা সেইটো অৰ্জনৰ অৱকাশ দিয়া বা সুযোগত পৰিণত কৰি দিয়া।

109- ((اللَّهُمَّ طَهِّرْنِي مِنَ الذُّنُوبِ وَالْخَطَايَا، اللَّهُمَّ نَقِّنِي مِنْهَا كَمَا يُنَقَّى الثَّوْبُ الْأَبْيَضُ مِنْ الدَّنَسِ، اللَّهُمَّ طَهِّرْنِي بِالثَّلْجِ وَالْبَرَدِ وَالْمَاءِ الْبَارِدِ)).

১০৯- "আল্লা-হুম্মা ত্বাহ্‌হিৰনী মিনাজ জুনূবি অল খাত্বা-য়া، আল্লা-হুম্মা নাক্কিনী মিনহা কামা য়ুনাক্কাছ ছাউবুল

আবয়াজু মিনাদ দানাছ৷ আল্লা-হুম্মা ত্বাহ্হিৰনী বিচ্ছালজি অল বাৰাদি অল মা-ইল বা-ৰিদ।"

অৰ্থঃ হে আল্লাহ! মোক গুণাহ আৰু ভুল-ত্ৰুটি সমূহৰ পৰা পৱিত্ৰ কৰা। হে আল্লাহ! মোক সেইবোৰৰ পৰা এনেকৈ পৰিষ্কাৰ কৰা যেনেকৈ বগা কাপোৰক ময়লাৰ পৰা পৰিষ্কাৰ কৰা হয়। হে আল্লাহ! মোক বৰফ, শিলাবৃষ্টি আৰু শীতল পানীৰে পৱিত্ৰ কৰা।

110- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْبُخْلِ، وَالْجُبْنِ، وَسُوءِ الْعُمُرِ، وَفِتْنَةِ الصَّدْرِ، وَعَذَابِ الْقَبْرِ)).

১১০- "আল্লা-হুম্মা ইন্নী আ'উজু বিকা মিনাল বুখলি, অল জুব্‌নি, অছূ য়িল উমুৰ। অফিতনাতিচ চদ্ৰ, ৱা আজা-বিল কাব্ৰ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ কৃপণতাৰ পৰা, কাপুৰুষতাৰ পৰা আৰু বৃদ্ধ অৱস্থাৰ বেয়া পৰিণতিৰ পৰা, লগতে অন্তৰৰ ফিতনা আৰু কবৰৰ শাস্তিৰ পৰা।

111- ((اللَّهُمَّ رَبَّ جِبْرَائِيلَ، وَمِيكَائِيلَ، وَرَبَّ إِسْرَافِيلَ، أَعُوذُ بِكَ مِنَ حَرِّ النَّارِ، وَمِنْ عَذَابِ الْقَبْرِ)).

১১১- "আল্লা-হুম্মা ৰাব্বা জিব্ৰাঈল, অমীকাঈল, অৰাব্বা ইছ্ৰাফীল, আ'উজু বিকা মিন হাৰ্ৰিন-নাৰ, অমিন আজাবিল-কাব্ৰ।"

অৰ্থঃ হে আল্লাহ! জিব্ৰাঈল, মীকাঈল আৰু ইছ্ৰাফীলৰ প্ৰতিপালক! মই জাহান্নামৰ উত্তাপৰ পৰা আৰু কবৰৰ শাস্তিৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ।

112- ((اللَّهُمَّ أَلْهِمْنِي رُشْدِي، وَأَعِذْنِي مِنْ شَرِّ نَفْسِي)).

১১২- "আল্লা-হুম্মা আলহিম্‌নী ৰুশ্বদী, ৱা আ'য়িজনী মিন শ্বাৰ্ৰি নাফ্‌ছী।"

অৰ্থঃ হে আল্লাহ! মোক সঠিক পথৰ প্ৰেৰণা দিয়া, আৰু মোক মোৰ নিজৰ অন্তৰৰ কুমন্ত্ৰণাৰ পৰা ৰক্ষা কৰা।

113- ((اللَّهُمَّ إِنِّي أَسْأَلُكَ عِلْمًا نَافِعًا، وَأَعُوذُ بِكَ مِنْ عِلْمٍ لاَ يَنْفَعُ)).

১১৩- "আল্লা-হুম্মা ইন্নী আছআলুকা 'ইল্মান নাফিআ', ৱা আ'উজু বিকা মিন 'ইল্মিল লা য়ানফা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত উপকাৰী জ্ঞান লাভৰ প্ৰাৰ্থনা কৰোঁ, আৰু যি জ্ঞানৰ কোনো উপকাৰ নাই, তেনেকুৱা জ্ঞানৰ পৰা মই তোমাৰ আশ্ৰয় বিচাৰোঁ।

114- ((اللَّهُمَّ رَبَّ السَّمَوَاتِ [السَّبْعِ] وَرَبَّ الأَرْضِ، وَرَبَّ الْعَرْشِ الْعَظِيمِ، رَبَّنَا وَرَبَّ كُلِّ شَيْءٍ، فَالِقَ الْحَبِّ وَالنَّوَى، وَمُنْزِلَ التَّوْرَاةِ وَالإِنْجِيلِ وَالْفُرْقَانِ، أَعُوذُ بِكَ مِنْ شَرِّ كُلِّ شَيْءٍ أَنْتَ آخِذٌ بِنَاصِيَتِهِ، اللَّهُمَّ أَنْتَ الأَوَّلُ فَلَيْسَ قَبْلَكَ شَيْءٌ، وَأَنْتَ الآخِرُ فَلَيْسَ بَعْدَكَ شَيْءٌ، وَأَنْتَ الظَّاهِرُ فَلَيْسَ فَوْقَكَ شَيْءٌ، وَأَنْتَ الْبَاطِنُ فَلَيْسَ دُونَكَ شَيْءٌ، اقْضِ عَنَّا الدَّيْنَ وَأَغْنِنَا مِنَ الْفَقْرِ)).

১১৪- "আল্লা-হুম্মা ৰাব্বাচ্ছামাৱা-তিচ্ছাবয়ি', অৰাব্বাল্-আৰ্‌জ, অৰাব্বাল্-আৰ্‌শ্বিল্-আযীম, ৰাব্বানা অৰাব্বা কুল্লি শ্বাই, ফা-লিকাল্ হাব্বি অন্-নাৱা, অমুন্‌ঝিলাত্ তাওৰাতি অল্ ইঞ্জীলি অল্ ফুৰ্‌ক্বান, আ'উজু বিকা মিন্ শ্বাৰ্ৰি কুল্লি শ্বাই, আন্তা আ-খিযুম্ বিনাচিয়াতিহ, আল্লা-

হুম্মা আন্তাল আওৱালু ফালাইছা ক্বাবলাকা শ্বাই', ৱা আন্তাল্ আ-খিৰু ফালাইছা বা'দাকা শ্বাই', ৱা আন্তাজ যা-হিৰু ফালাইছা ফাওক্বাকা শ্বাই', ৱা আন্তাল্ বা-তিনু ফালাইছা দূ-নাকা শ্বাই', ইক্বজি আন্নাদ্দাইনা, ৱা আগনিনা মিনাল্ ফাক্ৰ।"

অৰ্থঃ হে আল্লাহ! হে সাতখন আকাশ আৰু পৃথিৱীৰ প্ৰতিপালক, মহা আৰছৰ ৰব্ব, আমাৰ ৰব্ব, তথা সকলো বস্তুৰেই ৰব্ব, শস্য-বীজ আৰু গুটি বিদীৰ্ণকাৰী, তাওৰাত, ইঞ্জীল আৰু ফুৰক্বান অৱতীৰ্ণকাৰী! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ প্ৰত্যেক ক্ষতিকাৰকৰ ক্ষতিৰ পৰা, যাৰ কপালৰ অগ্ৰভাগ তুমিয়েই ধাৰণকাৰী। হে আল্লাহ! তুমিয়েই প্ৰথম, তোমাৰ পূৰ্বে একো নাই। তুমিয়েই অন্ত, তোমাৰ পিছত একো নাই। তুমিয়েই সৰ্বোচ্চ, তোমাৰ ওপৰত একো নাই। তুমিয়েই আটাইতকৈ ওচৰত, তোমাতকৈ ওচৰত আন কোনো নাই। তুমি মোৰ ঋণ পৰিশোধ কৰাৰ তাওফীক দিয়া, আৰু দৰিদ্ৰতা তথা অভাৱ-অনাটনৰ পৰা অভাৱমুক্ত কৰা।

115- ((اللَّهُمَّ أَلِّفْ بَيْنَ قُلُوبِنَا، وَأَصْلِحْ ذَاتَ بَيْنِنَا، وَاهْدِنَا سُبُلَ السَّلَامِ، وَنَجِّنَا مِنَ الظُّلُمَاتِ إِلَى النُّورِ، وَجَنِّبْنَا الْفَوَاحِشَ مَا ظَهَرَ مِنْهَا وَمَا بَطَنَ، وَبَارِكْ لَنَا فِي أَسْمَاعِنَا، وَأَبْصَارِنَا، وَقُلُوبِنَا، وَأَزْوَاجِنَا، وَذُرِّيَّاتِنَا، وَتُبْ عَلَيْنَا إِنَّكَ أَنْتَ التَّوَّابُ الرَّحِيمُ، وَاجْعَلْنَا شَاكِرِينَ لِنِعَمِكَ مُثْنِينَ بِهَا عَلَيْكَ، قَابِلِينَ لَهَا، وَأَتِمَّهَا عَلَيْنَا)).

১১৫- ((আল্লা-হুম্মা আল্লিফ্ বাইনা কুলূবিনা, ৱা আছলিহ্ যা-তা বাইনিনা, অহ্দিনা ছুবুলাচ্ছালাম, অনাজ্জিনা মিনাজ যুলুমা-তি ইলান নূৰ,

অজান্নিব্নাল্ ফাৱা-হিশ্বা মা যাহাৰা মিন্হা অমা বাতান, অবা-ৰিক্ লানা ফী আছমা-‘ইনা, ৱা আ’বচা-ৰিনা, অকুলূবিনা, ৱা আঝৱাজিনা, অযুৰ্ৰিয়্যা-তিনা, অতুব ‘আলাইনা, ইন্নাকা আন্তাত্ তাওৱাবুৰ ৰাহীম, অজ‘আলনা শ্বা-কিৰীনা লিনি‘আমিক, মুছ্নীনা বিহা ‘আলাইক, কা-বিলীনা লাহা, ৱা আতমিমহা ‘আলাইনা)).

অৰ্থঃ হে আল্লাহ! আমাৰ হৃদয়সমূহৰ মাজত বন্ধন সৃষ্টি কৰি দিয়া, আমাৰ পৰস্পৰৰ মাজৰ সম্পৰ্কক সংশোধন কৰি দিয়া, আমাক শান্তিৰ পথত পৰিচালিত কৰা, আৰু আমাক অন্ধকাৰৰ পৰা মুক্ত কৰি পোহৰলৈ নিয়া। লগতে আমাক প্ৰকাশ্য আৰু অপ্ৰকাশ্য সকলো প্ৰকাৰ অশ্লীলতা আঁতৰাই ৰাখা। আমাৰ শ্ৰৱণশক্তি, দৃষ্টিশক্তি, অন্তৰসমূহ, আমাৰ স্ত্ৰীসকল আৰু সন্তান-সন্ততিসকলৰ মাজত বৰকত দিয়া। লগতে আমাৰ তাওবা কবুল কৰা, নিশ্চয় তুমি অত্যন্ত তাওবা কবুলকাৰী, পৰম দয়ালু। হে আল্লাহ! তুমি আমাক তোমাৰ নিআমতসমূহৰ কৃতজ্ঞতা স্বীকাৰকাৰী আৰু এইবোৰৰ বাবে তোমাৰ প্ৰশংসাকাৰী বনাই দিয়া, লগতে এই নিআমতবোৰ আমাৰ ওপৰত সম্পূৰ্ণ কৰি দিয়া।

116- ((اللهمّ إني أسألك خير المسألة،وخير الدعاء، وخير النجاح، وخير العمل،وخير الثواب،وخير الحياة، وخير الممات، وثبّتني، وثقّل موازيني، وحقّق إيماني، وارفع درجاتي"، وَتَقَبَّلْ صَلاَتِي، وَاغْفِرْ خَطِيئَتِي، وَأَسْأَلُكَ الدَّرَجَاتِ العُلاَ مِنَ الْجَنَّةِ، اللَّهُمَّ إِنِّي أَسْأَلُكَ فَوَاتِحَ الْخَيْرِ، وَخَوَاتِمَهُ، وَجَوَامِعَهُ، وَأَوَّلَهُ، وَظَاهِرَهُ، وَبَاطِنَهُ، وَالدَّرَجَاتِ الْعُلَا مِنَ الْجَنَّةِ آمِينْ، اللَّهُمَّ إِنِّي أَسْأَلُكَ خَيْرَ مَا آتِي، وَخَيْرَ مَا أَفْعَلُ، وَخَيْرَ مَا أَعْمَلُ، وَخَيْرَ مَا بَطَنَ، وَخَيْرَ مَا ظَهَرَ،

وَالدَّرَجَاتِ العُلَا مِنَ الْجَنَّةِ آمِينْ، اللَّهُمَّ إِنِّي أَسْأَلُكَ أنْ تَرْفَعَ ذِكْرِي، وَتَضَعَ وِزْرِي، وَتُصْلِحَ أمْرِي، وَتُطَهِّرَ قَلْبِي، وَتُحَصِّنَ فَرْجِي، وَتُنَوِّرَ قَلْبِي، وَتَغْفِرَ لِي ذَنْبِي، وَأَسْأَلُكَ الدَّرَجَاتِ الْعُلَا مِنَ الْجَنَّةِ آمِينْ، اللَّهُمَّ إِنِّي أَسْأَلُكَ أنْ تُبَارِكَ فِي نَفْسِي، وَفِي سَمْعِي، وَفِي بَصَرِي، وَفِي رُوحِي، وَفِي خَلْقِي، وَفِي خُلُقِي، وَفِي أَهْلِي، وَفِي مَحْيَايَ، وَفِي مَمَاتِي، وَفِي عَمَلِي، فَتَقَبَّلْ حَسَنَاتِي، وَأَسْأَلُكَ الدَّرَجَاتِ العُلَا مِنَ الْجَنَّةِ، آمِينْ)).

১১৬- "আল্লা-হুম্মা ইন্নী আছআলুকা খাইৰাল মাছআলাহ, অখাইৰাদ্ দুআ', অখাইৰান্ নাজা-হ, অখাইৰাল আমাল, অখাইৰাছ ছাৱা-ব, অখাইৰাল হায়া-ত, অখাইৰাল মামা-ত, অছাব্বিতনী, অছাক্কিল্ মাৱাঝীনি, অহাক্কিক্ক ঈমানী, অৰফা' দাৰাজা-তী, অতাক্কাব্বাল্ চালা-তী, অগফিৰ খাতী-আতী, ৱা আছআলুকাদ্ দাৰাজা-তিল উ'লা মিনাল জান্নাহ। আল্লা-হুম্মা ইন্নী আছআলুকা ফাৱা-তিহাল খাইৰ, অখাৱা-তিমাহু, অজাৱা-মিআহু, ৱা আওৱালাহু, অজা-হিৰাহু, অবা-তিনাহ, অদ্দাৰাজা-তিল উলা মিনাল জান্নাহ৷ আমীন। আল্লা-হুম্মা ইন্নী আছআলুকা খায়ৰা মা আ-তী, অখায়ৰা মা আফ'আল, অখায়ৰা মা আ'মাল, অখায়ৰা মা বাতান, অখায়ৰা মা জাহাৰ, অদ্দাৰাজা-তিল উলা মিনাল জান্নাহ৷ আমীন। আল্লা-হুম্মা ইন্নী আছআলুকা আন তাৰফাআ জিকৰী, অতাযাআ ৱিঝৰী, অতুচলিহা আম্ৰী, অতুত্বাহ্হিৰা ক্বালবী, অতুহাচ্ছিনা ফাৰ্জী, অতুনাওৱিৰা ক্বালবী, অতাগফিৰা লী জাম্বী, ৱা আছআলুকাদ্ দাৰাজা-তিল উলা মিনাল জান্নাহ৷ আমীন। আল্লা-হুম্মা ইন্নী আছআলুকা আন তুবাৰিকা ফী নাফ্ছী, অফী ছাম'য়ী, অফী বাচাৰী, অফী ৰূহী, অফী

খাল্কী, অফী খুলুকী, অফী আহ্লী, অফী মাহ্ইয়া-ইয়া, অফী মামা-তী, অফী আমালী, ফাতাকাব্বাল হাছানা-তী, ৱা আছ্আলুকাদ্ দাৰাজা-তিল উলা মিনাল জান্নাহ, আমীন।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তাওফীক কামনা কৰোঁ, উত্তম প্ৰাৰ্থনাৰ, উত্তম দুআৰ, উত্তম সফলতাৰ, উত্তম কৰ্মৰ, উত্তম প্ৰতিদানৰ, উত্তম জীৱন আৰু উত্তম মৃত্যুৰ। মোক (ঈমানৰ ওপৰত) দৃঢ়তা প্ৰদান কৰা, মোৰ নেকীসমূহৰ ওজন বৃদ্ধি কৰা, মোৰ ঈমান বাস্তৱায়িত কৰা, মোৰ মৰ্যাদা উন্নীত কৰি দিয়া, মোৰ নামাজ কবুল কৰা, মোৰ ভুল-ত্ৰুটিসমূহ ক্ষমা কৰা। লগতে মই তোমাৰ ওচৰত জান্নাতৰ সৰ্বোচ্চ মৰ্যাদা বিচাৰিছোঁ। হে আল্লাহ! মই তোমাৰ ওচৰত কল্যাণৰ আৰম্ভণি, ইয়াৰ পৰিসমাপ্তি, ইয়াৰ সামগ্ৰিকতা, ইয়াৰ প্ৰথম, ইয়াৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য দিশৰ বাবে প্ৰাৰ্থনা কৰোঁ, আৰু জান্নাতৰ সৰ্বোচ্চ মৰ্যাদা কামনা কৰোঁ। আমীন। হে আল্লাহ! মই যি লাভ কৰিছোঁ তোমাৰ ওচৰত সেইবোৰৰ কল্যাণ প্ৰাৰ্থনা কৰোঁ, লগতে কৰ্মৰ কল্যাণ, আচৰণৰ কল্যাণ, লগতে মোৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য দিশৰ কল্যাণ প্ৰাৰ্থনা কৰোঁ, আৰু জান্নাতৰ সৰ্বোচ্চ মৰ্যাদা কামনা কৰোঁ। আমীন। হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যে, তুমি মোৰ সন্মান বৃদ্ধি কৰা, মোৰ পাপৰ বোজা আঁতৰাই দিয়া, মোৰ সকলো কাম সংস্কাৰ কৰি দিয়া, মোৰ অন্তৰ পৱিত্ৰ কৰি দিয়া, মোৰ

লজ্জাস্থানৰ হেফাজত কৰা, মোৰ অন্তৰ আলোকিত কৰি দিয়া, আৰু মোৰ গুনাহ ক্ষমা কৰি দিয়া। লগতে মই তোমাৰ ওচৰত জান্নাতৰ সৰ্বোচ্চ মৰ্যাদা বিচাৰোঁ। আমীন। হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যে, তুমি মোৰ আত্মাত, মোৰ শ্ৰৱণশক্তিত, মোৰ দৃষ্টি শক্তিত, মোৰ প্ৰাণত, মোৰ গঠনত, মোৰ আচৰণত, মোৰ পৰিয়ালত, মোৰ জীৱনত, মোৰ মৃত্যুত আৰু মোৰ কৰ্মৰাজীত বৰকত দিয়া। (হে আল্লাহ) তুমি মোৰ সৎকৰ্মবোৰ কবূল কৰা। (হে আল্লাহ) মই তোমাৰ ওচৰত জান্নাতৰ সৰ্বোচ্চ মৰ্যাদা বিচাৰোঁ। আমীন।

117- ((اللَّهُمَّ جَنِّبْنِي مُنْكَرَاتِ الْأَخْلَاقِ، وَالْأَهْوَاءِ، وَالْأَعْمَالِ، وَالْأَدْوَاءِ)).

১১৭- "আল্লা-হুম্মা জান্নিব্‌নী মুনকাৰা-তিল আখ্‌লা-ক্ব, অল আহ্‌ৱা, অল আ'মা-ল, অল আদ্‌ৱা।"

অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ নিন্দনীয় চৰিত্ৰৰ পৰা, প্ৰবৃত্তিৰ বেয়া কামনা-বাসনা আৰু বেয়া কৰ্মৰ পৰা, আৰু বেয়া বেমাৰ-আজাৰৰ পৰা।

118- ((اللَّهُمَ قَنِّعْنِي بِمَا رَزَقْتَنِي، وَبَارِكْ لِي فِيهِ، وَاخْلُفْ عَلَيَّ كُلَّ غَائِبَةٍ لِي بِخَيْرٍ)).

১১৮- "আল্লা-হুম্মা কান্নি'নী বিমা ৰাঝাক্‌তানী, অবাৰিক লী ফীহ, অখ্‌লুফ 'আলাইয়্যা কুল্লা গা-ইবাতিন লী বিখায়ৰ।"

অৰ্থঃ হে আল্লাহ! তুমি মোক যি জীৱিকা দান কৰিছা, সেইখিনিতে মোক সন্তুষ্ট হোৱাৰ তাওফীক দিয়া, আৰু তাত মোৰ বাবে বৰকত দান কৰা, আৰু মই যিটো পোৱা নাই, প্ৰত্যেক উত্তম বস্তু সেইটোৰ স্থলাভিষিক্ত কৰা।

119- ((اللَّهُمَّ حَاسِبْنِي حِسَابَاً يَسِيرَاً)).

১১৯- "আল্লা-হুম্মা হা-ছিব্‌নী হিছাবাঁই য়াছীৰা।"

অৰ্থঃ হে আল্লাহ! (কিয়ামতৰ দিনা) তুমি মোৰ সহজভাৱে হিচাপ গ্ৰহণ কৰিবা।

120- ((اللَّهُمَّ أَعِنَّا عَلَى ذِكْرِكَ، وَشُكْرِكَ، وَحُسْنِ عِبَادَتِكَ)).

১২০- “আল্লা-হুম্মা আ'ইন্না ‘আলা যিকৰিকা, অশ্‌বুকৰিকা, অহুছনি ‘ইবা-দাতিক।”

অৰ্থঃ হে আল্লাহ! আমাক তোমাৰ স্মৰণ, কৃতজ্ঞতা-জ্ঞাপন আৰু উত্তমভাৱে তোমাৰেই ইবাদত কৰাৰ তাওফীক প্ৰদান কৰা।

121- ((اللَّهُمّ إِنِّي أَسْأَلُكَ إِيمَانًا لاَ يَرْتَدُّ، وَنَعِيمًا لا يَنْفَدُ، وَمُرَافَقَةَ مُحَمَّدٍ -صلى الله عليه وسلم- فِي أَعْلَى جَنَّةِ الْخُلْدِ)).

১২১- ((আল্লা-হুম্মা ইন্নী আছআলুকা ঈমানাল লা য়াৰতাদ্দু, অনায়ীমাল লা য়ানফাদ, অমুৰা-ফাকাতা মুহাম্মাদ্ -চাল্লাল্লাহু ‘আলাইহি অছাল্লামা- ফী আ'লা জান্নাতিল খুল্‌দ))।

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত এনেকুৱা ঈমান প্ৰাৰ্থনা কৰোঁ, যিটো কেতিয়াও পৰিবৰ্তন নহয়, এনেকুৱা

নিআ'মত বিচাৰোঁ যিটো কেতিয়াও শেষ নহ'ব, লগতে চিৰস্থায়ী জান্নাতৰ সৰ্বোচ্চ স্থানত মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সাহচৰ্য্য বিচাৰোঁ।

122- ((اللَّهُمَّ قِنِي شَرَّ نَفْسِي، وَاعْزِمْ لِي عَلَى أَرْشَدِ أَمْرِي، اللَّهُمَّ اغْفِرْ لِي مَا أَسْرَرْتُ، وَمَا أَعْلَنْتُ، وَمَا أَخْطَأْتُ، وَمَا عَمَدْتُ، وَمَا عَلِمْتُ، وَمَا جَهِلْتُ)).

১২২- "আল্লা-হুম্মা ক্বিনী শ্বাৰ্ৰা নাফ্ছি, অ'ঝিম্ লী 'আলা আৰশ্বাদী আম্ৰী, আল্লা-হুম্মাগ ফিৰলী মা আছৰাৰ্তু, অমা আ'লান্তু, অমা আখতা'তু, অমা 'আমাদ্তু, অমা 'আলিম্তু, অমা জাহিল্তু।"

অৰ্থঃ হে আল্লাহ! তুমি মোক ৰক্ষা কৰা, মোৰ আত্মাৰ অনিষ্টৰ পৰা, লগতে মোক অটল ৰখা আটাইতকৈ সঠিক পথৰ ওপৰত। হে আল্লাহ! তুমি মোক ক্ষমা কৰি দিয়া, যিটো গুনাহ মই গোপনে কৰিছোঁ আৰু যি মই প্ৰকাশ্যভাৱে কৰিছোঁ, লগতে যি মই ভুলবশতঃ কৰিছোঁ আৰু যি মই ইচ্ছাকৃতভাৱে কৰিছে, এইদৰে যি মই জানি বুজি কৰিছোঁ, আৰু যি মই অজানিতে কৰিছোঁ।"

123- ((اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ غَلَبَةِ الدَّيْنِ، وَغَلَبَةِ الْعَدُوِّ، وَشَمَاتَةِ الأَعْدَاءِ)).

১২৩- "আল্লা-হুম্মা ইন্নি আউজু বিকা মিন গালাবাতিত দাইন, অগালাবাতিল আদুউ, অশ্বামা-তাতিল আ'দা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত ঋণৰ বোজা, শত্ৰুৰ প্ৰাধান্য, আৰু শত্ৰুৰ আনন্দৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ।

124- ((اللَّهُمَّ اغْفِرْ لِي، وَاهْدِنِي، وَارْزُقْنِي، وَعَافِنِي، أَعُوذُ بِاللَّهِ مِنْ ضِيقِ الْمَقَامِ يَوْمَ الْقِيَامَةِ)).

১২৪- "আল্লা-হুম্মাগ ফিৰলী, অহদিনী, অৰঝুক্নী, ৱা ‘আফিনী, আ‘উজু বিল্লাহি মিন্ জীকিল্ মাকা-মী য়াওমাল কিয়ামাহ।"

অৰ্থঃ হে আল্লাহ! মোক ক্ষমা কৰি দিয়া, মোক সঠিক পথ দেখুৱা, মোক জীৱিকা দান কৰা, মোক সুস্থতা প্ৰদান কৰা। হে আল্লাহ! কিয়ামত দিৱসৰ কঠিন পৰিস্থিতিৰ পৰা মই তোমাৰ আশ্ৰয় বিচাৰোঁ।

125- ((اللَّهُمَّ مَتِّعْنِي بِسَمْعِي، وَبَصَرِي، وَاجْعَلْهُمَا الْوَارِثَ مِنِّي، وَانْصُرْنِي عَلَى مَنْ يَظْلِمُنِي، وَخُذْ مِنْهُ بِثَأْرِي)).

১২৫- "আল্লা-হুম্মা মাত্তি'ন্নী বিছাম'য়ী, অবাচাৰী, অজআলহুমাল ৱা-ৰিছা মিন্নী, অন চুৰনী আলা মাঁইয়াজলিমুনী, অখুজ মিনহু বিছা'ৰী।"

অৰ্থঃ হে আল্লাহ! মোৰ শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তিৰ দ্বাৰা মোক উপকৃত কৰা, লগতে এই দুটাক মোৰ উত্তৰাধিকাৰী বনাই দিয়া, (মৃত্যু পৰ্যন্ত অটুট ৰাখা)। মোৰ প্ৰতি যিয়ে অন্যায় কৰে, তাৰ বিৰুদ্ধে তুমি মোক সহায় কৰা। লগতে তাৰ পৰা তুমি মোৰ প্ৰতিশোধ লোৱা।

126- ((اللَّهُمَّ إنِّي أسْأَلُكَ عِيشَةً نَقِيَّةً، ومِيتَةً سَوِيَّةً، ومَرَدّاً غَيْرَ مَخْزٍ ولا فاضِحٍ)).

১২৬- "আল্লা-হুম্মা ইন্নী আছআলুকা ঈ-শ্বাতান্ নাকীয়্যাহ, অমীতাতান্ ছাৱীয়্যাহ, অমার্দ্দান গাইৰা মুখ্ঝীন অলা ফা-জিহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত পৱিত্ৰ জীৱন প্ৰাৰ্থনা কৰোঁ, সঠিক মৃত্যু কামনা কৰোঁ, লগতে এনেকুৱা পৰলৌকিক প্ৰত্যাৱৰ্তন, য'ত অপমান অপদস্থ হ'বলগীয়া নহ'ব।

127- ((اللَّهُمَّ لَكَ الْحَمْدُ كُلُّهُ، اللَّهُمَّ لاَ قَابِضَ لِمَا بَسَطْتَ، وَلاَ بَاسِطَ لِمَا قَبَضْتَ، وَلاَ هَادِيَ لِمَنْ أَضْلَلْتَ، وَلاَ مُضِلَّ لِمَنْ هَدَيْتَ، وَلاَ مُعْطِيَ لِمَا مَنَعْتَ، وَلاَ مَانِعَ لِمَا أَعْطَيْتَ، وَلاَ مُقَرِّبَ لِمَا بَاعَدْتَ، وَلاَ مُبَاعِدَ لِمَا قَرَّبْتَ، اللَّهُمَّ ابْسُطْ عَلَيْنَا مِنْ بَرَكَاتِكَ، وَرَحْمَتِكَ، وَفَضْلِكَ، وَرِزْقِكَ، اللَّهُمَّ إِنِّي أَسْأَلُكَ النَّعِيمَ الْمُقِيمَ الَّذِي لاَ يَحُولُ وَلاَ يَزُولُ، اللَّهُمَّ إِنِّي أَسْأَلُكَ النَّعِيمَ يَوْمَ الْعَيْلَةِ، وَالأَمْنَ يَوْمَ الْخَوْفِ، اللَّهُمَّ إِنِّي عَائِذٌ بِكَ مِنْ شَرِّ مَا أَعْطَيْتَنَا وَشَرِّ مَا مَنَعْتَنَا، اللَّهُمَّ حَبِّبْ إِلَيْنَا الإِيمَانَ وَزَيِّنْهُ فِي قُلُوبِنَا، وَكَرِّهْ إِلَيْنَا الْكُفْرَ وَالْفُسُوقَ وَالْعِصْيَانَ، وَاجْعَلْنَا مِنَ الرَّاشِدِينَ، اللَّهُمَّ تَوَفَّنَا مُسْلِمِينَ، وَأَحْيِنَا مُسْلِمِينَ، وَأَلْحِقْنَا بِالصَّالِحِينَ غَيْرَ خَزَايَا وَلاَ مَفْتُونِينَ، اللَّهُمَّ قَاتِلِ الْكَفَرَةَ الَّذِينَ يُكَذِّبُونَ رُسُلَكَ، وَيَصُدُّونَ عَنْ سَبِيلِكَ، وَاجْعَلْ عَلَيْهِمْ رِجْزَكَ وَعَذَابَكَ، اللَّهُمَّ قَاتِلْ كَفَرَةَ الَّذِينَ أُوتُوا الْكِتَابَ، إِلَهَ الْحَقِّ [آمِينْ])).

১২৭- আল্লা-হুম্মা লাকাল হামদু কুল্লুহু, আল্লা-হুম্মা লা ক্বা-বিদা লিমা বাছাত্তা, অলা বা-ছিতা লিমা ক্বাবাজতা, অলা হা-দিয়া লিমান আজলালতা, অলা মুজিল্লা লিমান হাদাইতা, অলা মু'ত্বিয়া লিমা মানা'তা, অলা মানি'আ লিমা আ'ত্বাইতা, অলা মুক্বাৰ্ৰিবা লিমা বা'আদতা, অলা মুবা'ইদা লিমা ক্বাৰ্ৰাবতা। আল্লা-হুম্মাব্ছুত্ব আলাইনা মিন বাৰাকা-তিকা, অৰাহমাতিকা, অফাজলিকা, অৰিঝক্বিক। আল্লা-হুম্মা ইন্নী আছআলুকান নাঈমাল মুক্বীমাল্লাযী লা য়াহূলু অলা য়াঝূল। আল্লা-হুম্মা ইন্নী

আছ্আলুকান নাঈমা ইয়াওমাল আইলাতি, অল আমনা ইয়াওমাল খাওফ। আল্লা-হুম্মা ইন্নী আয়িযুবিকা মিন শ্বাৰ্ৰি মা আ'ত্বাইতানা অশ্বাৰ্ৰি মা মানা'তানা। আল্লা-হুম্মা হাব্বিব ইলাইনাল ঈমানা অঝায়্যিনহু ফী ক্বুলূবিনা, অকাৰ্ৰিহ ইলাইনাল কুফ্ৰা অলফুছূক্বা অলইছ'ইয়ান, অজআ'লনা মিনাৰ্ৰা-শ্বিদ্বীন। আল্লা-হুম্মা তাওয়াফ্ফানা মুছলিমীন, অআহয়িনা মুছলিমীন, অআলহিক্বনা বিছ্ছ্বা-লিহীন, গাইৰা খাযা-য়া অলা মাফতুনীন। আল্লা-হুম্মা ক্বা-তিলিল কাফাৰাতাল্লাযীনা ইউকাযযিযবূনা ৰুছুলাকা, অইয়াছুদ্দূনা আন ছাবীলিকা, অজআ'ল আলাইহিম ৰিজঝাকা অআযা-বাকা। আল্লা-হুম্মা ক্বা-তিল কাফাৰাতাল্লাযীনা ঊতুল কিতাবা, ইলাহাল হাক্ক, [আমীন]।

অৰ্থঃ হে আল্লাহ, সকলো প্ৰশংসা তোমাৰ বাবেই। হে আল্লাহ, তুমি যিটো প্ৰসাৰিত কৰা তাক কোনেও সংকুচিত কৰিব নোৱাৰে আৰু তুমি যিটো সংকুচিত কৰা তাক কোনেও প্ৰসাৰিত কৰিব নোৱাৰে। তুমি যাক পথভ্ৰষ্ট কৰা তাক কোনেও হিদায়ত দিব নোৱাৰে আৰু তুমি যাক হিদায়ত দিয়া তাক কোনেও পথভ্ৰষ্ট কৰিব নোৱাৰে। তুমি যিটোক বাধা দিয়া সেইটো কোনেও প্ৰদান কৰিব নোৱাৰে আৰু তুমি যিটো দিব বিচৰা সেইটো কোনেও ৰোধ কৰিব নোৱাৰে। তুমি যিটোক দূৰত ৰাখা তাক কোনেও ওচৰ চপাব নোৱাৰে আৰু তুমি যাক ওচৰ চপাই লোৱা তাক কোনেও দূৰ কৰিব

নোৱাৰে। হে আল্লাহ, আমাৰ ওপৰত তোমাৰ বৰকত, ৰহমত, অনুগ্ৰহ আৰু ৰিযিক প্ৰসাৰিত কৰি দিয়া। হে আল্লাহ, মই তোমাৰ ওচৰত এনে স্থায়ী নিয়ামত প্ৰাৰ্থনা কৰোঁ যি কেতিয়াও পৰিৱৰ্তিত নহয় আৰু কেতিয়াও ধ্বংস নহয়। হে আল্লাহ, মই তোমাৰ ওচৰত অভাৱৰ দিনা নিয়ামত আৰু ভয়ৰ দিনা নিৰাপত্তা প্ৰাৰ্থনা কৰোঁ। হে আল্লাহ, তুমি আমাক যি প্ৰদান কৰিছা তাৰ অনিষ্টৰ পৰা আৰু যি প্ৰদান কৰা নাই তাৰ অনিষ্টৰ পৰা মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ। হে আল্লাহ, ঈমানক আমাৰ ওচৰত প্ৰিয় কৰি দিয়া আৰু ইয়াক আমাৰ অন্তৰত সুশোভিত কৰি দিয়া, আৰু কুফৰ, পাপাছাৰ আৰু অবাধ্যতাক আমাৰ ওচৰত ঘৃণনীয় কৰি দিয়া, আৰু আমাক সৎপথপ্ৰাপ্তসকলৰ অন্তৰ্ভুক্ত কৰা। হে আল্লাহ, আমাক মুছলিম অৱস্থাত মৃত্যু দিয়া আৰু মুছলিম অৱস্থাত জীয়াই ৰাখা। লগতে আমাক কোনো অপমান আৰু পৰীক্ষা অবিহনে সৎকৰ্মশীল লোকসকলৰ লগত মিলিত কৰা। হে আল্লাহ, সেইসকল কাফিৰক ধ্বংস কৰা যিসকলে তোমাৰ ৰাছুলসকলক মিছলীয়া বুলি কয় আৰু তোমাৰ পথৰ পৰা (মানুহক) বাধা দিয়ে, আৰু সিহঁতৰ ওপৰত তোমাৰ শাস্তি আৰু আজাব অৱতীৰ্ণ কৰা। হে আল্লাহ, কিতাবপ্ৰাপ্ত কাফিৰসকলক ধ্বংস কৰা, হে সত্য ইলাহ [আমীন]।

128- ((اللَّهُمَّ اغْفِرْ لِي، وَارْحَمْنِي، وَاهْدِنِي، وَعَافِنِي، وَارْزُقْنِي)).

১২৮- "আল্লা-হুম্মাগ্‌ফিৰ লী, অৰহাম্নী, অহ্‌দিনী, ৱা'আ-ফিনী, অৰ্‌ঝুক্‌নী।"

অৰ্থঃ হে আল্লাহ! মোক ক্ষমা কৰি দিয়া, মোৰ প্ৰতি দয়া কৰা, মোক সঠিক পথ দেখুৱা, মোক আৰোগ্য দান কৰা, আৰু মোক জীৱিকা দান কৰা।

((...وَاجْبُرْنِي، وَارْفَعْنِي)).

"...অজবুৰনী, অৰফা'নী।"

অৰ্থঃ...আৰু মোৰ অসম্পূৰ্ণতা পূৰণ কৰা, আৰু মোক উন্নত কৰা।

129- ((اللَّهُمَّ زِدْنَا وَلَا تَنْقُصْنَا، وَأَكْرِمْنَا وَلَا تُهِنَّا، وَأَعْطِنَا وَلَا تَحْرِمْنَا، وَآثِرْنَا وَلَا تُؤْثِرْ عَلَيْنَا، وَأَرْضِنَا وَارْضَ عَنَّا)).

১২৯- "আল্লা-হুম্মা ঝিদনা অলা তানকুচনা, ৱা-আক্ৰিমনা অলা তুহিন্না, ৱা-আ'ত্বিনা অলা তাহৰিমনা, ৱা-আছিৰনা অলা তু'ছিৰ আলাইনা, ৱা-আৰদ্বিনা অৰদ্বা' আন্না।"

অৰ্থঃ হে আল্লাহ! তুমি আমাক বৃদ্ধি কৰা, হ্ৰাস নকৰিবা। আমাক সন্মানিত কৰা, অপমানিত নকৰিবা। আমাক প্ৰদান কৰা, বঞ্চিত নকৰিবা। আমাক প্ৰাধান্য দিয়া, আমাৰ ওপৰত আনক প্ৰাধান্য নিদিবা। তুমি আমাক সন্তুষ্ট কৰি দিয়া আৰু আমাৰ প্ৰতিও সন্তুষ্ট হৈ যোৱা।

130- ((اللَّهُمَّ أَحْسَنْتَ خَلْقِي فَأَحْسِنْ خُلُقِي)).

১৩০- "আল্লা-হুম্মা আহ্ছান্তা খাল্কী, ফা আহ্ছিন খুলুকী।"

অৰ্থঃ হে আল্লাহ! তুমি মোক সুন্দৰ আকৃতিত সৃষ্টি কৰিছা, সেয়ে তুমি মোৰ আচাৰ-আচৰণো সুন্দৰ কৰি দিয়া।

131- ((اللَّهُمَّ ثَبِّتْنِي وَاجْعَلْنِي هَادِياً مَهْدِيّاً)).

১৩১- "আল্লা-হুম্মা ছাব্বিতনী অজআ'লনী হা-দীয়ান মাহদিয়্যা।"

অৰ্থঃ হে আল্লাহ! তুমি মোক (সত্যৰ ওপৰত) অটল ৰাখা, আৰু মোক এজন হিদায়তপ্ৰাপ্ত পথপ্ৰদৰ্শক বনাই দিয়া।

132- (( اللَّهُمَّ إِنِّي أَسْأَلُكَ الثَّبَاتَ فِي الْأَمْرِ، وَالْعَزِيمَةَ عَلَى الرُّشْدِ، وَأَسْأَلُكَ مُوجِبَاتِ رَحْمَتِكَ، وَعَزَائِمَ مَغْفِرَتِكَ، وَأَسْأَلُكَ شُكْرَ نِعْمَتِكَ، وَحُسْنَ عِبَادَتِكَ، وَأَسْأَلُكَ قَلْبَاً سَلِيمَاً، وَلِسَانَاً صَادِقَاً، وَأَسْأَلُكَ مِنْ خَيْرِ مَا تَعْلَمُ، وَأَعُوذُ بِكَ مِنْ شَرِّ مَا تَعْلَمُ، وَأَسْتَغْفِرُكَ لِمَا تَعْلَمُ، إِنَّكَ أَنْتَ عَلاَّمُ الْغُيُوبِ)).

১৩২- "আল্লা-হুম্মা ইন্নী আছআলুকাচ্ছাবা-তা ফিল আম্র, অল আঝীমাতা আলাৰ্ৰুশ্বদ, ৱা আছআলুকা মূজিবা-তি ৰাহ্মাতিক, ৱা আঝা-ইমা মাগ্ফিৰাতিক, ৱা আছআলুকা শ্বুক্ৰা নি'মাতিক, ৱা হুছনা ইবাদাতিক, ৱা আছআলুকা ক্বলবান ছালীমা, ৱা লিছা-নান চা-দিক্বা, ৱা আছআলুকা মিন খাইৰি মা তা'লাম, ৱা আ'ঊযু বিকা মিন শ্বাৰ্ৰি মা তা'লাম, ৱা আছতাগফিৰুকা লিমা তা'লাম, ইন্নাকা আন্তা আল্লা-মুল-গুয়ূব।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত (ধৰ্মৰ) কামত দৃঢ়তা আৰু সৎ পথত চলাৰ দৃঢ় সংকল্প বিচাৰোঁ। লগতে তোমাৰ ওচৰত সেইবোৰ বস্তু প্ৰাৰ্থনা কৰোঁ যিবোৰৰ

দ্বাৰা তোমাৰ ৰহমত লাভ কৰাটো অনিবাৰ্য্য হৈ পৰে, তোমাৰ মাগফিৰাতমূলক সিদ্ধান্ত প্ৰাৰ্থনা কৰোঁ, তোমাৰ নিআমতৰ কৃতজ্ঞতা জ্ঞাপন কৰাৰ তাওফীক বিচাৰোঁ, আৰু উত্তমৰূপে তোমাৰ ইবাদত কৰাৰ তাওফীক বিচাৰোঁ। মই তোমাৰ ওচৰত এক সুস্থ অন্তৰ আৰু এক সত্যবাদী জিভা বিচাৰোঁ। মই তোমাৰ ওচৰত তুমি জনা সকলো কল্যাণ বিচাৰোঁ, তুমি জনা সকলো অনিষ্টৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, আৰু তুমি জনা মোৰ (পাপ)সমূহৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰোঁ। নিশ্চয় তুমি গায়েবৰ বিষয়ে সৰ্বজ্ঞানী।

133- (( اللَّهُمَّ إِنِّي أَسْأَلُكَ الْفِرْدَوْسَ أَعْلَى الْجَنَّةِ)).

১৩৩- "আল্লা-হুম্মা ইন্নী আছআলুকাল-ফিৰদাউছা আ'লাল-জান্নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত জান্নাতৰ সৰ্বোচ্চ স্তৰ ফিৰদাউছ প্ৰাৰ্থনা কৰোঁ।

134- ((اللَّهُمَّ صَلِّ عَلَى مُحَمَّدٍ، وَعَلَى آلِ مُحَمَّدٍ، كَمَا صَلَّيْتَ عَلَى إِبْرَاهِيمَ، وَعَلَى آلِ إِبْرَاهِيمَ، إِنَّكَ حَمِيدٌ مَجِيدٌ، وَبَارِكْ عَلَى مُحَمَّدٍ، وَعَلَى آلِ مُحَمَّدٍ، كَمَا بَارَكْتَ عَلَى إِبْرَاهِيمَ، وَعَلَى آلِ إِبْرَاهِيمَ، [فِي الْعَالَمِينَ] إِنَّكَ حَمِيدٌ مَجِيدٌ)).

১৩৪- আল্লা-হুম্মা চল্লি আলা মুহাম্মদ, ৱা আলা আলি মুহাম্মদ, কামা চাল্লাইতা আলা ইব্ৰাহীম, ৱা আলা আলি ইব্ৰাহীম, ইন্নাকা হামীদুম মাজীদ। আল্লা-হুম্মা বা-ৰিক আলা মুহাম্মদ, ৱা আলা আলি মুহাম্মদ, কামা বা-ৰাকতা আলা ইব্ৰাহীম, ৱা আলা আলি ইব্ৰাহীম, ফিল আ-লামীন, ইন্নাকা হামীদুম মাজীদ।

অৰ্থঃ “হে আল্লাহ! মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আৰু তেওঁৰ বংশধৰসকলৰ ওপৰত ৰহমত অৱতীৰ্ণ কৰা, যেনেকৈ ৰহমত অৱতীৰ্ণ কৰিছিলা ইব্ৰাহীম আলাইহিচ্ছালাম আৰু তেওঁৰ বংশধৰসকলৰ ওপৰত। নিশ্চয় তুমি প্ৰশংসনীয় আৰু সন্মানীয়। হে আল্লাহ! বৰকত অৱতীৰ্ণ কৰা মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আৰু তেওঁৰ বংশধৰসকলৰ ওপৰত, যেনেকৈ বৰকত অৱতীৰ্ণ কৰিছিলা ইব্ৰাহীম আলাইহিচ্ছালাম আৰু তেওঁৰ বংশধৰসকলৰ ওপৰত। সমগ্ৰ বিশ্বজগতত নিশ্চয় তুমি প্ৰশংসনীয় আৰু সন্মানীয়।”

সকলো ধৰণৰ প্ৰশংসা বিশ্বজগতৰ প্ৰতিপালক আল্লাহৰ বাবে, তেওঁৰ মহিমা আৰু বিশাল আধিপত্যৰ বাবে যিদৰে প্ৰশংসা শোভনীয়। হে আল্লাহ, তুমি দৰূদ আৰু ছালাম বৰ্ষণ কৰা আমাৰ নবী মুহাম্মদৰ ওপৰত, আৰু তেখেতৰ পৰিয়ালবৰ্গ আৰু চাহাবাসকলৰ ওপৰত, লগতে কিয়ামত দিৱস পৰ্যন্ত এহছানৰ সৈতে তেওঁলোকক অনুসৰণ কৰা লোকসকলৰ ওপৰত।

# সূচীপত্ৰ

কোৰআন আৰু হাদীছৰ পৰা সংগৃহীত কিছুমান দুআ..................... 2
কোৰআন আৰু হাদীছৰ পৰা সংগৃহীত কিছুমান দুআ..................... 2

as500v1.0 - 06/09/2026